ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ
স্নাতকোত্তৰ অসমীয়া শ্রেণীৰ ছাত্র-ছাত্রীৰ স্বৰচিত কবিতা সংকলন

# কবিতাৰ সুৰভি

**সম্পাদক**
ড০ উপেন্দ্রজিৎ শৰ্মা

অসমীয়া বিভাগ
ভোলানাথ মহাবিদ্যালয়, ধুবুৰী।
ধুবুৰী ঃঃ অসম ঃঃ ভাৰত

**KABITAR SURABHI**
A collection of Assamese poetry composed by the students of post graduate department of Assamese, Bholanath College, Dhubri, edited by Dr. Upendrajit Sharma, Head of the Department Assamese & published by Purbayon Publication World Book House on behalf of Bholanath College, Dhubri, Assam, India.

**Edition : November - 2018** **Price : 100/-**

ISBN - .........................

# কবিতাৰ সুৰভি

**সম্পাদক ঃ**
**ড° উপেন্দ্ৰজিৎ শৰ্মা**, মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ
ভোলানাথ মহাবিদ্যালয়, ধুবুৰী, অসম।

গ্ৰন্থস্বত্ব ঃ
অসমীয়া বিভাগ, ভোলানাথ মহাবিদ্যালয়, ধুবুৰী, অসম।

মূল্য ঃ ১০০.০০ (এশ) টকা

বেটুপাতঃ
সঞ্জীব বৰা

অক্ষৰ বিন্যাসকাৰী ঃ
ছমিৰ আহমেদ (জোন), বিদ্যাপাৰা, ধুবুৰী (অসম)।

**পূৰ্বায়ণ প্ৰকাশন**
সাত মাইল, গুৱাহাটী - ১৪, অসম
Email - purbayonindia21@gmail.com
sebsite : purbayonpublication.com
✆ ৯৮৬৪৪২২১৫৭

# মোৰ একাষাৰ

সাম্প্ৰতিক সময়ত আমাৰ নতুন পুৰুষ সৃষ্টিশীল সাহিত্যৰ দিশটোৰ পৰা ক্ৰমে আঁতৰি আহি আছে। এটা সময়ত মহাবিদ্যালয়ৰ আলোচনী এখন প্ৰকাশ কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ পৰা মাত্ৰাধিক লিখনী লাভ কৰা হৈছিল আৰু যথেষ্ট বিচাৰ-বিবেচনা কৰিহে বহুত লিখিনৰ মাজৰ পৰা নগণ্য সংখ্যক লিখনি মহাবিদ্যালয়ৰ আলোচনীত ঠাই দিব পৰা গৈছিল। কিন্তু বৰ্তমান সময়ত মহাবিদ্যালয়ৰ আলোচনী এখন প্ৰকাশ কৰিবলৈ লৈ ছাত্ৰ-ছাত্ৰীৰ লিখনিৰ অভাৱত বৈ থাকিব লগা হয়। সেয়েহে নতুন প্ৰজন্মক সৃষ্টিশীল লিখনিৰ প্ৰতি উৎসাহিত কৰিবলৈ বিদ্যালয় অনুদান আয়োগে স্নাতকোত্তৰ শ্ৰেণীত মূল্যবোধৰ পাঠ্যক্ৰম হিচাপে সৃষ্টিশীল লিখনিৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিছে।

ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ অসমীয়া বিভাগে সৃষ্টিশীল পাঠ্যক্ৰমৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীল সাহিত্যৰ প্ৰতি আকৰ্ষিত কৰি আহিছে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল সাহিত্য সৃষ্টিৰ দিশটোক উৎসাহিত কৰাৰ অৰ্থে অইন বছৰৰ দৰে এইবেলিও স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ স্বৰচিত কবিতাসমূহ গ্ৰন্থ আকাৰে প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই প্ৰচেষ্টাত অসমীয়া বিভাগৰ তৎপৰতা শলাগিবলগীয়া।

আমি ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, মানসিক উৎকৰ্ষণৰ লগতে বৌদ্ধিক উৎকৰ্ষ সাধনৰ প্ৰচেষ্টা কৰি আহিছোঁ। এই ধৰণৰ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক আগন্তুক দিনবোৰত সৃষ্টিশীল সাহিত্য সৃষ্টিৰ প্ৰতি প্ৰেৰণা যোগাওক তাৰে কামনাৰে।

**ড° ধ্ৰুৱ চক্ৰৱৰ্তী**
অধ্যক্ষ
ভোলানাথ মহাবিদালয়, ধুবুৰী।

( ২ )

# দু-আষাৰ

সুকুমাৰ কলাৰে এটা অংগ হ'ল কবিতা। কবিতাক শিল্প বুলিও কোৱা হয়। কাৰণ কবিতাত থাকে মান-সম্পন্ন শৈল্পিক গুণ। তাৰোপৰি কবিতা নিৰ্মাণৰ ক্ষেত্ৰত ভাৱ-ব্যঞ্জনাক গুৰুত্ব দিয়া হয়। আচলতে সকলো গুণেৰে সমৃদ্ধ হলেহে ই কবিতা নাম পায়। সেয়ে কবিৰ অনুভৱ গভীৰ আৰু প্ৰখৰ হ'লে, চিত্ৰকল্পই প্ৰকাশ ভংগীৰ সাৰ্বজনীন ন্যায্যতা পালে কবিতা অধিক পঠনযোগ্য হৈ উঠে। ইতিবাচক দৃষ্টিৰে ৰচিত এনে কবিতাই পাঠকৰ অন্তৰত কিদৰে প্ৰভাৱিত আৰু আন্দোলিত কৰে আৰু ব্যক্তিৰ মানসিক বিকাশক উদগাই তোলে তাৰ কৌশল আয়ত্ব কৰিবলৈ বিস্তৰ অধ্যয়ন আৰু অনুশীলনৰ প্ৰয়োজন আছে। কবিতা সাধনাৰ বিষয়। জাগতিক বিষয়বোৰৰ লগত তাৰ সম্পৰ্ক গহীন। কবিতাই মানৱ মনক লৈয়েই কল্যাণমুখী অভিপ্ৰায় প্ৰতিফলন কৰে বাবে আধুনিক আৰু উত্তৰ আধুনিক যুগতো ইয়াৰ মনো-জাতিগত আন্দোলন সঠিক গতিৰে চলিয়েই থাকিব। এইটো সকলোৰে জানে যে মানুহৰ মনক লৈয়েই কবিতাৰ সকলো ব্যস্ততা অনুৰণিত, গুঞ্জৰিত হয়। প্ৰথম শ্ৰেণীৰ পাঠক এজনে কবিতাৰ যোগেদি কবিৰ মনোজগতত বিচৰণ কৰি বুজিবলৈ চেষ্টা কৰে কবি এজনে কি ক'ব বিচাৰিছে, কেনেকৈ ক'ব বিচাৰিছে।

ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা ৰচিত মুঠ চাৰি কুৰি আঠটা কবিতা পঢ়ি বুজিবলৈ আমিও চেষ্টা কৰিছোঁ, তেওঁলোকে কিনো ক'ব বিচাৰিছে। লক্ষ্যণীয় যে তেওঁলোকৰ কবিতাৰ মূল উপজীৱ্য হ'ল প্ৰেম আৰু ভালপোৱা। পিতৃ-মাতৃৰ প্ৰতি, দেশ আৰু সমাজৰ প্ৰতি, বিনন্দীয়া প্ৰকৃতিৰ প্ৰতি তেওঁলোকৰ যি প্ৰেম, শ্ৰদ্ধা, ভালপোৱা সি কবিতাত পল্লৱিত হৈ উঠিছে। কিছু কবিতাত অন্যায়ৰ বিৰুদ্ধে, নাৰী নিৰ্যাতনৰ বিৰুদ্ধে শোষণ-বঞ্চনাৰ বিৰুদ্ধে প্ৰতিবাদী সুৰ শুনিবলৈ পোৱা গৈছে। বিভিন্ন বিষয়লৈ ৰচিত কবিতাবোৰ পঢ়ি আমি অত্যন্ত আনন্দিত হৈছোঁ, ভৱিষ্যতৰ প্ৰতি আশাবাদী হৈছোঁ। গোটেইখিনি কবিতা গ্ৰন্থাকাৰে সংকলিত হ'ব বুলি জানি প্ৰয়োজনবোধে হাত ফুৰাবলৈও যত্ন কৰিছোঁ।

অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা অধিক উন্নত আৰু অব্যাহত ৰাখিবলৈ

মহাবিদ্যালয় কৰ্তৃপক্ষৰ পৰা শিক্ষাৰ্থীসকলে যথেষ্ট উদ্‌গনি পাই কবিতা ৰচনাত মনোনিৱেশ কৰিছে, ই নিশ্চয় এটা সুখৰ বতৰা। কবিতাৰ অনুশীলন এনেকৈ অব্যাহত ৰাখিলে অসমীয়া ভাষা, সাহিত্যৰ ভঁৰাললৈ তেওঁলোকে যথেষ্ট অৰিহণা আগবঢ়াব পাৰিব বুলি আমাৰ বিশ্বাস। কাৰণ অধিকাংশ কবিতাতে আমি সেই সম্ভাৱনা লক্ষ্য কৰিছোঁ।

অসমীয়া কবিতাত শিক্ষাৰ্থীসকলৰ প্ৰতিভাৰ স্বাক্ষৰ ৰাখিবলৈ ড° উপেন্দ্ৰজিৎ শৰ্মাই যি উদ্যোগ লৈছে সি সঁচাকৈয়ে এটা সৎ আৰু প্ৰশংসনীয় পদক্ষেপ। কৰ্তৃপক্ষৰ সুদৃষ্টিয়ে এই উদ্যোগক আৰু অধিক আগবঢ়াই লৈ যাব বুলি কামনা কৰিলোঁ।

ধুবুৰী
১৬/৫/২০১৮

**আবুল হাচান শ্বেখ**

## সম্পাদকৰ মেজৰ পৰা .......

সাহিত্য সৃষ্টি সভ্যতাক জাগৰিত কৰাৰ এক প্ৰক্ৰিয়া। সাহিত্যৰ সৃষ্টিত মানৱৰ কল্পনা শক্তিৰ অনুভৱৰ বহিঃপ্ৰকাশ এক অৰধাৰিত প্ৰক্ৰিয়া। কল্পনা শক্তিয়ে মানুহৰ চিন্তাৰ গভীৰতাক তৰান্বিত কৰে। ফলস্বৰূপে কল্পনা শক্তিৰ সুসংহত চিন্তাই মানৱৰ মন-মগজুক অধিক ক্ৰিয়াশীল কৰি বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে আমাৰ সমাজত বহিঃপ্ৰকাশ ঘটে। মানুহৰ চিন্তাটোৰ উপযুক্ত সম্ভাৰ সুসংবদ্ধ হৈ ভাষাৰ মাজেৰে প্ৰকাশ পাই; ফলস্বৰূপে এই ভাৱৰাশি বিভিন্ন স্তৰত কবিতা, নাটক, চুটিগল্প, উপন্যাস আদি নাম পাই। মানৱৰ কল্পনা শক্তিৰ দ্বাৰা সৃষ্ট এই ধৰণৰ লিখনিসমূহে সৃষ্টিশীল সাহিত্যৰ নাম পাই। সাম্প্ৰতিক সময়ত মানৱ সৃষ্ট সৃষ্টিশীল সাহিত্যৰাজি বিভিন্ন স্তৰেৰে গতি কৰিছে। মানুহৰ চিন্তা শক্তি নিত্য নতুন ভাৱধাৰাৰ প্ৰৱাহিত হৈ আহিছে। চিন্তা শক্তিৰ যিমানে ভিন্নতা বাঢ়িছে, সাহিত্যৰ সৃষ্টিলৈও সিমানে নতুনত্ব আহিছে।

সৃষ্টিশীল সাহিত্যৰ ক্ষেত্ৰখন দিনে দিনে বাঢ়ি গৈ আছে, যদিও তাৰ মাজতে আকৌ আমাৰ নৱপ্ৰজন্ম চামৰ এক বহুল অংশ সৃষ্টিশীল সাহিত্য অধ্যয়ন আৰু সৃষ্টিৰ প্ৰতি অনীহা প্ৰকাশ কৰাও দেখা গৈছে। যান্ত্ৰিক সভ্যতাৰ পৰিৱেশত বসবাস কৰা এইচাম পুৰুষৰ বাবে সৃষ্টিশীল সাহিত্যৰ অধ্যয়ন আৰু সৃষ্টি এক ৰুচিবোধহীন কাৰ্যবুলি গণ্য কৰিবলৈ লৈছে। এনে পৰিৱেশত আমাৰ সাহিত্য-সংস্কৃতিৰ দিশটোলৈ গভীৰ প্ৰত্যাহ্বান আহি পৰিছে। আমি জনা উচিত যে আমাৰ কল্পনা, চিন্তাশক্তি সজীৱ কৰি ৰখাৰ এক মাধ্যম হ'ল সৃষ্টিশীল সাহিত্য, সৃষ্টিশীল সাহিত্যৰ অধ্যয়নে আমাৰ জীৱন সুন্দৰ কৰিব পাৰে, মনলৈ নিত্য নতুন কল্পনা, চিন্তাশক্তিৰ আগমন ঘটাব পাৰে। এনেবোৰ কথালৈ লক্ষ্য কৰিয়ে হয়তো বিশ্ববিদ্যালয় অনুদান আয়োগে স্নাতকোত্তৰ শ্ৰেণীত মূল্যবোধৰ পাঠ্যক্ৰম হিচাপে "Creative Writting" ৰ নিচিনা পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিবলগীয়া হৈছে।

ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগতো এই মূল্যবোধৰ পাঠ্যক্ৰমৰ সংযোজনেৰে ছাত্ৰ-ছাত্ৰীক সৃষ্টিশীল লিখন কলাৰ প্ৰতি আগ্ৰহ জন্মাবৰ কাৰণে প্ৰতিটো স্তৰতে চেষ্টা অব্যাহত ৰাখিছোঁ। সৃষ্টিশীল সাহিত্যৰ অ, আ, ক, খ নজনা ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদানৰ ক্ষেত্ৰত বহুতো সমস্যাৰ সন্মুখীন হৈছো যদিও আমি বিশ্ববিদ্যালয়ৰ নম্বৰ সংগ্ৰহ, পৰীক্ষাত অংশ গ্ৰহণ আৰ্হি দিশসমূহতে সীমাবদ্ধ নাথাকি

ব্যৱহাৰিক দিশেৰে আগবাঢ়িছোঁ। আমি ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে সৃষ্টিশীল সাহিত্যসৃষ্টিৰ প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ। এইক্ষেত্ৰত আমাৰ বিভাগৰ অধ্যাপক-অধ্যাপিকাবৃন্দই বিশেষ শ্ৰম কৰিবলগীয়া হৈছে।

সৃষ্টিশীল সাহিত্যৰ প্ৰতি ছাত্ৰ-ত্ত্ৰীৰ অনুৰাগ বৃদ্ধিৰ বাবে সময়ে সময়ে বিশিষ্ট সাহিত্যিকবৃন্দক আমন্ত্ৰণ জনাই পাঠদানৰ ব্যৱস্থাও কৰা হৈছে। প্ৰতিবছৰে একোজন বিশিষ্ট কবিক আমন্ত্ৰণ জনাই কবিতাৰ শৈলীৰ বিচাৰ বিশ্লেষণ আগবঢ়োৱাৰ লগতে কবিগৰাকীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ৰচনা কৰা কবিতাৰ বিচাৰ কৰি একো একোটা আলোচনাও প্ৰকাশ কৰা হৈছে। এই সংখ্যাটোৰ বাবে এইখিনি কাৰ্যসূচী আমাৰ আহ্বানত সম্পন্ন কৰি দিয়াৰ বাবে বিশিষ্ট কবি আবুল হাচান শ্বেখ দেৱৰ বিশেষ শলাগ ল'লোঁ।

অসমীয়া বিভাগৰ তৰফৰ পৰা প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল লিখনিৰে একোখন কাব্যসংকলনৰ প্ৰকাশনৰো ব্যৱস্থা গ্ৰহণ কৰিছোঁ। এইকাৰ্যই ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ প্ৰদান কৰিছে আৰু সৃষ্টিশীল সাহিত্য সৃষ্টিৰ প্ৰতি অধিক আকৰ্ষণ বৃদ্ধি কৰিছে। কাব্য সংকলনখন প্ৰকাশৰক্ষেত্ৰতো ভোলানাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তী মহোদয়ে আমাক উৎসাহিত কৰি আহিছে। এই ছেগতে তেখেতলৈ আমাৰ বিভাগৰ তৰফৰ পৰা আন্তৰিক শলাগ নিবেদন কৰিছোঁ।

সদৌশেষত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল সাহিত্য সৃষ্টিৰ যাত্ৰা যাত্ৰা দীঘলীয়া হওক তাৰে কামনাৰে —

**ড° উপেন্দ্ৰজিৎ শৰ্মা**
তত্বাৱধায়ক অধ্যাপক
অসমীয়া স্নাতকোত্তৰ শ্ৰেণী
অসমীয়া বিভাগ
ভোলানাথ মহাবিদ্যালয়, ধুবুৰী।

# সূচীপত্ৰ


| কবিতা | | পৃষ্ঠা |
|---|---|---|
| ❖ অনুভূতি / স্পন্দন | ➲ দেৱশ্ৰী ৰায় | ১২-১৩ |
| ❖ মহাবাহু ব্ৰহ্মপুত্ৰ / নিয়তি | ➲ পূজা শৰ্মা | ১৪-১৫ |
| ❖ বৃক্ষ / দুঃস্বপ্ন | ➲ জাহাঙ্গীৰ আলম | ১৬-১৭ |
| ❖ ব'হাগ / দেউতা | ➲ চিন্ময়ী ৰায় চৌধুৰী | ১৮-১৯ |
| ❖ মা / মৰমৰ আহ্বান | ➲ জ্যোৎস্না মেধী | ২০-২১ |
| ❖ সপোন / প্ৰাচীন প্ৰেমিক | ➲ প্ৰসেনজিৎ ৰায় | ২২-২৩ |
| ❖ মানৱতা / জাতিৰ পিতা | ➲ জোনালী মেধি | ২৪-২৫ |
| ❖ হাহাকাৰ / মূল্যহীন | ➲ নিজৰা নাথ | ২৬-২৭ |
| ❖ কুলি / কবি নহও মই | ➲ ৰফিকুজ্জামান শ্বেখ | ২৮-২৯ |
| ❖ ভালপোৱা / মোৰ প্ৰতিটো দিন আৰু ৰাতি | ➲ আফজালুৰ ৰহমান সেখ | ৩০-৩১ |
| ❖ চৰাই-চিৰিকতিৰ নিচিনা / মা | ➲ নুৰ নাচৰিন আহমেদ | ৩২-৩৩ |
| ❖ মানৱতা / ধন্য আমাৰ জন্মভূমি | ➲ লাভলি পাৰভিন | ৩৪-৩৫ |
| ❖ মৃত্যুৰ বিভীষিকা / আৰ্তনাদ | ➲ আল-আজমিন হক | ৩৬-৩৭ |
| ❖ বিচিত্ৰ-চিত্ৰ / কুঁহিয়াৰৰ ৰস | ➲ ইনামূল হাছান সেখ | ৩৮-৩৯ |
| ❖ প্ৰেম স্বৰ্গীয় / সপোন | ➲ মোমিনা ইয়াছমীন | ৪০-৪১ |
| ❖ তুমি মোৰ / এটি নিঃশব্দ যন্ত্ৰণা | ➲ আব্দুৰ ৰৌফ খন্দকাৰ | ৪২-৪৩ |
| ❖ জীৱন / তুমি | ➲ আফ্ৰিনা ইয়াছমিন | ৪৪-৪৫ |
| ❖ আকাশী যানেৰে তুমি থকা ঠাইলৈ যাম/ স্বাৰ্থপৰ হৈ পৰিছোঁ | ➲ দেবযানী শীল | ৪৬-৪৭ |
| ❖ সঁচা প্ৰেম / অভিমান | ➲ বিক্ৰম মালাকাৰ | ৪৮-৪৯ |
| ❖ এটি অনুভৱ / সখী | ➲ ৰীতা ৰায় | ৫০-৫১ |

| | | |
|---|---|---|
| ❖ জেলেপি / পৰকীয়া প্ৰেম | ➲ কহিনুৰ ইছলাম | ৫২-৫৩ |
| ❖ অভিশপ্ত নাৰী / অসুখ | ➲ উৰ্বশী ৰায় | ৫৪-৫৫ |
| ❖ মা / মোৰ গাঁও | ➲ জেছমিন বেগম | ৫৬-৫৭ |
| ❖ আমিয়েই দেশৰ প্ৰাণ / বসন্ত | ➲ জেউতী প্ৰভা বৰ্মন | ৫৮-৫৯ |
| ❖ আমি আজিৰ ডেকা / শৰৎকাল | ➲ হাছিনা খাতুন | ৬০-৬১ |
| ❖ মাতৃভূমি / নাৰী | ➲ আয়েশা ছিদ্দিকা | ৬২-৬৩ |
| ❖ নিঃসংগতা / ব্যৰ্থতা | ➲ নাৰগিছ চুলতানা বেগম | ৬৪-৬৫ |
| ❖ আশা / প্ৰকৃতি | ➲ কৰিষ্মা নাথ | ৬৬-৬৭ |
| ❖ মা / বৰ্ষা | ➲ ছন্দামিতা চক্ৰৱৰ্তী | ৬৮-৬৯ |
| ❖ মই সেউজীয়া / তুমি | ➲ জুবাইৰ আহমেদ | ৭০-৭১ |
| ❖ হৃদয়ৰ ঠিকনা / মা | ➲ তাহমিনা খাতুন | ৭২-৭৩ |
| ❖ তোমাক লৈ কি লিখিম / মা | ➲ লিপিকা আফৰুজা | ৭৪-৭৫ |
| ❖ মুকলি কৰি দিয়া আমাৰ পথাৰ / প্ৰদান | ➲ নমিতা দাস | ৭৬-৭৭ |
| ❖ মনৰ অনুভূতি / তুমিয়েই মোৰ কল্পনাত | ➲ ছাইফুল হাছান | ৭৮-৭৯ |
| ❖ অপেক্ষা / ভালপোৱা কি | ➲ প্ৰিয়া সাহা | ৮০-৮১ |
| ❖ তুমি / নয়ন | ➲ খোদেজা খাতুন | ৮২-৮৩ |
| ❖ প্ৰশ্ন / চিন্তা | ➲ নৱনীতা ৰায় | ৮৪-৮৫ |
| ❖ স্বাধীন নাৰী / নিঃসংগতা | ➲ পূজা দাস | ৮৬-৮৭ |
| ❖ সময়ৰ চিঞৰ / নাৰী | ➲ আশৰাফুল আলম | ৮৮-৮৯ |
| ❖ আধুনিকতা / দেউতা | ➲ সাহানাচ পাৰভীন | ৯০-৯১ |
| ❖ মানৱ জনম / মা | ➲ হেমপ্ৰভা ৰয় | ৯২-৯৩ |
| ❖ মোৰ জীৱন / নিশা | ➲ উম্মে কুলছুম | ৯৪-৯৫ |
| ❖ এপাহি ৰঙা গোলাপ / মানৱ সভ্যতা | ➲ জয়শ্ৰী বৰ্মন | ৯৬-৯৭ |
| ❖ পুষ্পাঞ্জলি / মোৰ বিয়াৰ দিন | ➲ জয়ন্ত কুমাৰ বৰ্মন | ৯৮-৯৯ |


— ঃ ঃ —

# কবিতাৰ সুৰভি

পুৱতি নিশাৰ ডাক নাই পৰা
নীৰৱ বিশ্বৰ বাঁহী
কোনোৱা লোকৰ নিমাত প্ৰাণীয়ে
হাঁহিছে নিফুট হাঁহি

**⊃ চন্দ্ৰকুমাৰ আগৰৱালা**

ক'ৰ পৰা তই আহিলি সোণাই
কোন দিশে যাব উৰি,
কিয় বা ফুৰিছ দূৰ-দূৰণিত
অকলই ঘূৰি ঘূৰি?

**⊃ ৰঘুনাথ চৌধাৰী**

বুৰঞ্জীৰ সেঁতুৰ বন্ধন, আমি আহি আছোঁ,
আলোকযাত্ৰীৰ দল মৰাঘূলিত আতুৰি,
চহৰতলিৰ নিষ্প্ৰভ চাকি, এন্দুৰৰ শোভাদল।
আমাৰ মৃত্যু ক'ত?

**⊃ হেম বৰুৱা।**

উদং ফেৰেঙণিৰ ক্ৰুছত পূৰ্ণিমাৰ জোন যেন এখন ছবি।
জোনাকত লাওখোলাৰ দৰে জিলিকে ঘৰৰ মুধচবোৰ।

**⊃ হৰেকৃষ্ণ ডেকা।**

# অনুভূতি

✍ দেৱশ্ৰী ৰায়

নিৰ্বাক হৈ পৰিছোঁ মই
অনুভূতিবোৰ হেৰাই গৈছে নেকি!!
কংক্ৰীটৰ পৃথিৱীত বাস কৰিছোঁ
ভয় হয়, হেৰাই যাওঁ বুলি।
এজাক অনুভূতিহীন মানুহ
যাৰ কলিজা শিলৰ
সেইবাবেই নিসংগতা প্ৰিয় মোৰ।
নিসংগতাই কলিজাটি শিল হ'ব নিদিয়ে
হেৰাব নিদিয়ে মোৰ সত্বাক
আৰু অনুভূতিবোৰ স্পন্দিত হৈ ৰ'ব হৃদয়ত
মোৰ জীৱনৰ অন্তিম পৰলৈকে ........... ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# স্পন্দন

**দেৱশ্ৰী ৰায়**

দূৰ-দূৰণিত নিজান বননিত
সপোনৰ কাৰেং সাজি
উমলিছোঁ হৃদয়ৰ কাননত।

কত আশা, কত আকাংখা
আৰু যে কত হেঁপাহ
বুকুত বান্ধি
মনৰ মণিকোঠাত
ৰাখিছিলোঁ সযতনে সাঁচি।

আকাশৰ ফুটুকী হৰিণী নিলিম পোহৰে
স্পন্দিত কৰিছেহি সেই সপোনক
যদিওবা পাৰ হৈ গ'ল কতনা ধুমুহা
পাৰ ভাঙি নিলে কতনা বেদনা
জীৱনৰ প্ৰাক্ সন্ধিক্ষণত।

সপোন ভাঙি চুৰমাৰ হ'ল
হৃদয়ৰ কানন উৰলি গ'ল
আছে মাথোঁ এতিয়া
শুকান চেৰেঙা পাতৰ মৰ্মবেদনা। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মহাবাহু ব্ৰহ্মপুত্ৰ

পূজা শৰ্মা

ব্ৰহ্মপুত্ৰ তুমি মহানদ
তোমাৰ বুকুৰ পাৰতে
গঢ়ি উঠে কত মানৱ সভ্যতা
তোমাৰ বুকুতে ঠন ধৰি উঠে
মানৱৰ জীৱন নিৰ্বাহৰ পথ।
তুমি ঘনে শান্ত ঘনে ৰুদ্ৰ
তোমাৰ শান্ত ৰূপে সকলোকে
কৰে মুগ্ধ।
তোমাৰ ৰুদ্ৰতাই বোঁৱাই লৈ যায়
শত শত মানৱৰ হৃদয়ৰ আৱেগ।
তুমি চিৰপ্ৰৱাহিত। প্ৰতি পলে পলে
তুমি নৱ ৰূপত উদ্ভাসি উঠা।
ব্ৰহ্মাৰ পুত্ৰ তুমি আৰু তুমিয়েই সৃষ্টিৰ উৎস। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# নিয়তি

পূজা শৰ্মা

জীৱনৰ অনিবাৰ্য হ'লা তুমি
সামাজিক লীলাৰ পৰা
নিজকে আঁতৰাই লৈ যোৱা।
জীৱনৰ শেষ শিক্ষাত
মাটিৰ লগত মিলি সকলো সাৰুৱা হৈ যাব
ৰই যাব কেৱল শ্মশানৰ
কোনো এক প্ৰান্তৰ কাষত
কেৰাচিন তেলেৰে ছাই হৈ যোৱা
কাঠৰ কেইটুকুৰামান ধৰি। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# বৃক্ষ

জাহাঙ্গীৰ আলম

মই এটা বৃক্ষ
মোৰ ঠাল ঠেঙুলি ঠিকে আছে
কিন্তু মোৰ পাত নাই,
এজাক প্ৰৱল ধুমুহাই
ছিঙিলৈ গ'ল মোৰ কোমল পাতবোৰ
কিয় কম!
কাকনো গোচৰ দিম?
মই যে এটা বৃক্ষ!
আজি উশাহ ল'বলৈ মোৰ পাত নাই
আছে কেৱল ছালবোৰ
তাৰো আকৌ জৰাজীৰ্ণ অৱস্থা।
ভেৰা ছাগলীয়ে খাই খাই
শেষ কৰিলে মোৰ পাতবোৰ
কি কম!
কাকনো গোচৰ দিম?

মই যে এটা বৃক্ষ!
মই আজি অকলশৰীয়া
আগতে আমি বহুত আহিলোঁ,
মই বাগৰি পৰিলোঁ
হয়, মই বাগৰি পৰিলোঁ
নদীৰ বুকুত;
গৰাখহনীয়াই মোক ভাঙি নিলে
ভাঙি নিলে মোৰ দুচকুৰ হেজাৰ সপোন
কি কম!
কাকনো গোচৰ দিম?
মই যে এটা বৃক্ষ!
আজি মই ধ্বংস হ'লো
কাইলৈ আৰু কোনোৰা হ'ব আৰু
কাকনো গোচৰ দিম
মই যে এবিধ বৃক্ষ। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# দুঃস্বপ্ন

জাহাঙ্গীৰ আলম

কোনো এক গভীৰ নিশা
দেখিছিলোঁ তোমাৰ বুকুত এটি মৃতঃসন্তান
সেয়া হয়তো তোমাৰ সন্তান নাছিল।
কিন্তু কাৰ? হয়তো কাৰোবাৰ
কি ধুনীয়া চুলিবিলাক, কি সুন্দৰ চেহেৰা
মুখখন যেন পদুমৰ পাহিৰ দৰে ৰঙা
গুলপীয়া।
দেখিলে মৃত যেন নালাগে।
তুমি আজি বগা সাজযোৰ পিন্ধিছা কিয়?
আৰু চুলিবিলাক ইমানকৈ যে মেলি দিছা
কি বিকৃত ৰূপ আজি তোমাৰ,
তুমি যিয়েই নোহোৱা
তোমাক লৈ মোৰ একো প্ৰশ্ন নাই।
কিন্তু কোন সেই কণমাণি শিশুটি?
যিয়ে আজি তোমাৰ কোলাত
গভীৰ নিদ্ৰাত মগ্ন
কোন তাৰ হত্যাকাৰী
তুমি যে আন কোনোবা? ❑❑

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# ব'হাগ

❍ চিন্ময়ী ৰায় চৌধুৰী

ব'হাগৰ বৰযুণ টোপালত
প্ৰকৃতি যেন হৈ উঠে জীপাল,
ব'হাগৰ গামোছাত বুটা বছা ফুল
তাকে দেখি মই হৈছোঁ ব্যাকুল।
ব'হাগ মাহত ঢোলৰ গুমগুমনিত
চৌদিশ ৰজনজনাই উঠে,
ডেকা-গাভৰুৰ মন আনন্দ উলাহত
কঁহুৱা তুলা হৈ উৰে।
ব'হাগ মাহত প্ৰিয়জনলৈ সকলোৰে
বিহুৱান দিয়ে,
সকলোকে শান্তি সম্প্ৰীতিৰ
এনাজৰীৰে বান্ধি ৰাখে। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# দেউতা

চিন্ময়ী ৰায় চৌধুৰী

সংসাৰৰ সকলো বোজা মূৰ পাতি লৈ
আমাৰ জীৱনত দুখৰ কোনো দাঁগ নেপেলোৱাকৈ
সদায় মুখত হাঁহি বিৰিঙাবলৈ
যত্ন কৰাজনেই হ'ল দেউতা।
পৃথিৱীৰ বুকুত প্ৰথম খোজকাঢ়িবলৈ
হাতৰ আঙুলিত ধৰি শিকোৱাজনেই হ'ল দেউতা,
সৰুতে বিচৰা সকলো বস্তু
নোখোজাকৈ আনি দিয়াৰ লগতে
মোৰ সকলো সপোন সাৰ্থক কৰিবলৈ
সকলো দুখ কষ্ট পাহৰি
পুৰণ কৰিবলৈ প্ৰচেষ্টা কৰাজনেই হ'ল দেউতা।
কেতিয়াবা যদি খং কৰি কথা কওঁ
মনত দুখ পালেও একো নোকোৱা আৰু
আমাক একো বস্তুৰে অভাৱ অনুভৱ কৰিব
নিদিয়াজনেই হ'ল দেউতা। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মা

জ্যোৎস্না মেধী

তুমি মোৰ মন মন্দিৰৰ দেৱী
তোমাৰ পূজাৰে আৰম্ভ হয়
মোৰ জীৱনৰ অবিৰাম যাত্ৰা।
তুমি মোৰ শক্তিৰ উৎস
মোৰ হিয়াৰ ব্যাকুলতা আঁতৰে
তোমাৰ মাতত।
মা .......
তুমি সহনশীলতাৰ প্ৰতিমূৰ্তি
তোমাৰ হৃদয়ৰ মৰমৰ ছাঁ
জিৰণিৰ একমাত্ৰ ঠাই মোৰ;
নিজে নিজে জ্বলি ছাই হৈ
আমাৰ গাত এচিকুট দুখ পৰিব নিদিয়া
তুমি সদায়ে নিজৰ দুখ
লুকাই ৰখা নিজৰ মাজত
কিয় ইমান সহ্য কৰা মা
কাৰ বাবে, কি স্বাৰ্থত?
মইতো নাভাবোঁ, আমি এতিয়ালৈকে
তোমাৰ গৌৰৱৰ কাৰণ হ'ব পাৰিছোঁ
তথাপি ইমান মৰম উজাৰি দিয়া
আমাৰ জীৱনৰ সকলো কষ্ট
তোমাৰ মৰম সানি মচি দিয়া,
তুমি মহীয়সী মা ........
তোমাৰ তুলনা নাই ........
তুমি মোৰ জীয়াই থকাৰ অৰ্থ
তোমাৰ অবিহনে,
মোৰ গোটেই জীৱন ব্যৰ্থ
মোৰ গোটেই জীৱন ব্যৰ্থ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মৰমৰ আহ্বান

জ্যোৎস্না মেধী

সাগৰৰ প্ৰকাণ্ড ঢৌ
        হিমালয়ৰ সু-উচ্চ শৃংগ
আকাশৰ নীলা ভেদি
        আহিছে মৰমৰ আহ্বান।
নিঁয়ৰৰ প্ৰতিটো টোপালত
        শেৱালিৰ উগ্ৰ সুঘ্ৰানত,
মাথোঁ অনুভৱ কৰোঁ তোমাৰ আহ্বান।
সদায় অহা যোৱা কৰা পথ
আজি কিয় অন্তহীন যেন লাগিছে
প্ৰতি মুহূৰ্ততে মাথোঁ
        তোমাৰ মাত মোৰ কাণত
বাজিছে
তোমাৰ হিয়াৰ আকুল আহ্বানে
        মোৰ বুকুৰ ধপ্‌ধপনি আজি
        দুগুণে বঢ়াই তুলিছে
মিঠা প্ৰেমৰ মিঠা এই অনুভৱ
মন ফুলনিত আজি মোৰ
প্ৰেমৰ সৌৰভ।
নোৱাৰিম মই আগভেটিব
সেই আহ্বানৰ
মোৰ মন কামনাৰ দাসী
মাথোঁ তোমাৰ চৰণৰ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# সপোন

প্ৰসেনজিৎ ৰায়

কিছু সপোন সপোন হৈ থাকিব দিয়াচোন,
বাস্তৱতনো আছে কি?
আছে কেৱল ক্লান্তি, হতাশা।
তাহানিৰ সেই সপোনবোৰ
যিবোৰে প্ৰতিটো ক্ষণতে জীপাল হৈ আছিল
মোৰ মনৰ মাজত
সেয়া আজি সাৰ্থক হৈছে জানো!
এজাক অজ্ঞাত ধুমুহাত তীব্ৰ গতিয়ে
যেন পলকতে নুমাই দিলে
নিঃশেষ কৰি দিলে সেই সপোন
সেই অনন্ত চাকিৰ পোহৰ।
ক'ত গ'ল আজি সেই সপোনৰ চৰাইটি
যিয়ে মোক দেখুৱাই দিছিল ভৱিষ্যতৰ
এখনি ৰঙীণ দুৱাৰ!
আজি দেখোন মোৰ দুচকুৰে একোৱে নেদেখোঁ
ক'ত হেৰাই গ'ল সেই চঞ্চলতা, সেই অতৃপ্ত তৃষ্ণা!
মোৰ প্ৰতিবিম্বই মোক কয়
তুমি আজি এটা নীৰৱ, হতাশ স্তম্ভ মাথোঁ!
মই একো উত্তৰ নাপাওঁ বিচাৰি
মোৰ প্ৰতি বিশ্বক ক'লে
সেয়া হয়তো সেই সপোন দেখাৰে বিফল পৰিণতি! ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# প্ৰাচীন প্ৰেমিক

প্ৰসেনজিৎ ৰায়

তুমি মোক চিনি পাইছানে?
সেই যে আহিছিলোঁ তোমাৰ কাষত
পূৰ্ণিমাৰ ৰাতি
হিয়াৰ টোপোলা এটা হাতত লৈ।
মোক তোমাৰ মনত পৰেনে?
লুইতৰ বুকুত ডুবি যাওঁতে যে
মোক পাই সাৱটি ধৰিছিলা
বিনা বস্ত্ৰে!
সেই দিনটোলৈ তোমাৰ মনত পৰেনে বাৰু?
দুপৰীয়া কৃষ্ণচূড়াৰ চাঁত মোৰ কোলাত বহি
ৰচিছিলা কিমান যে সপোন আৰু
তুমি দিয়া সেই প্ৰতিশ্ৰুতি!
মই আজিৰ আকাশৰ ক'লাজোন
সেয়া তুমি হয়তো মোক বিচাৰি পোৱা নাই!
কিন্তু মই সেই একেই আছোঁ
অলপ মাথোঁ পোহৰৰ অভাৱ!
সেই পোহৰ তুমি বাৰু দিবানে ঘূৰাই?
তোমাৰ বাবেই যে আজিও বাট চাই আছে
তোমাৰ সেই প্ৰাচীন প্ৰেমিক। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# মানৱতা

জোনালী মেধি

ৰাজপথৰ সিপাৰৰ
দুজোৰ চকুৰ প্ৰয়াগত
দুখন হিয়া আছিল সদায় এখন হৈ,
পিছে পশ্চিমৰ ধুমুহা জাকে
ধ্বংস কৰি পেলালে সেই ৰাজপথ
শ্মশানত পৰিণত হ'ল সেই হিয়া।
ভাতৃ আৰু ভাতৃত্বৰ মাজৰ সেই
জাত-পাত, জাতি-কুলৰ সংঘৰ্ষত
ভয়াৱহতাৰে ভৰা সেই আতংকময় ৰূপত।
পানী মেটেকাৰ দৰে ওপঙি থকা
তেজ মঙহৰ সেই নশ্বৰ দেহ
কাৰোবাৰ বাবে বিজয়ৰ ৰণ ডংকা;
আন কাৰোবাৰ ভঙা হিয়াৰ আৰ্তনাদ।
মোৰ অনলৰ উজ্জ্বলতা
কাৰোবাৰ স্বাধীনতাৰ আশাৰ প্ৰতীক
আন কাৰোবাৰ
সমস্ত সংসাৰ বিসৰ্জন দিয়াৰ বেদনা
হয়ে বিধাতা!
এয়াই কি জীৱ শ্ৰেষ্ঠৰ মানৱতা? ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# জাতিৰ পিতা

**জোনালী মেধি**

মাতৃভূমি মোৰ মহান ভাৰত
তোমাৰ মুখত প্ৰভাতৰ উজ্জ্বল কিৰণ,
বাৰে বৰণীয়া ৰঙৰ কোমল মাধুৰীসনা
যিজনে বিলালে এই উজ্জ্বলতা
সিজন আমাৰ জাতিৰ পিতা।

সহস্ৰজনৰ মুখৰ হাঁহি
ঘূৰাই দিলে যিজনক বাণীয়ে
অহিংসাই যে পৰম ধৰ্ম
যিজনে দেখুৱালে সঁচাকৈ কাম কৰি
সিজন আমাৰ জাতিৰ পিতা।

অহিংসাৰ গুৰি ধৰি
সকলো জাতি-উপজাতিক একলগ কৰি
মৃত প্ৰায় ভাৰতক যিজনে দিলে
অমৃত বাণীৰে প্ৰাণ আনি
যিজন আমাৰ জাতিৰ পিতা।

ত্যাগ আৰু পৰোপকাৰ জীৱনৰ অন্যতম ব্ৰত মানি
মাতৃভূকি যিজনে কৰিলে শুশ্ৰূষা
সিজন আমাৰ জাতিৰ পিতা

হে মাতৃভূমি, খাইছোঁ তোমাৰ শপত
কৰিবলৈ শতসহস্ৰ প্ৰণাম
তোমাৰ এই সুযোগ্য সন্তানক
যিজন আমাৰ জাতিৰ পিতা। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# হাহাকাৰ

**নিজৰা নাথ**

ক'ব খুজিছোঁ বহু কথা
কিন্তু, ভয় লাগে।
এক ভয়ংকৰ স্মৃতিয়ে মোক
আগভেটি আছে।
বতাহৰ দৰে স্মৃতিয়ে
গতি সলনি কৰে,
সকলো উৰুৱাই লৈ গৈ
এক অচিন দিশলৈ ঠেলি দিয়ে।
কেনেকৈ, কি হ'ল একোৱেই নুবুজিলোঁ
মাথোঁ ৰৈ গৈছিল সাহস।
ক'ব খুজিছোঁ বহু কথা
ক'বৰ বাবে সন্মুখত বিচাৰিছোঁ এজনক
কিন্তু, সেই স্মৃতিয়ে সামৰি লৈছে মোৰ
অতীত, বৰ্তমান আৰু ভৱিষ্যত।
অহংকাৰে
মোক পিছলৈ টানে
দপ্‌দপ্‌কৈ জ্বলি উঠে মোৰ
হিয়া। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মূল্যহীন

**নিজৰা নাথ**

এটা এৰি অহা
সেই শৈশৱৰ দিনতে
ভাবিছিলোঁ কিমান ?
কৰিছিলোঁ বহুতো স্ফূৰ্তি তামাছা
কিন্তু, এতিয়ানো সেই সময়
বাস্তৱত কোনফালে
ঢাল খাব ?
নাজানো, যেন এক তীব্ৰগতিৰে আহিব
আৰু কৰিব তচ্‌নচ্।
খালী ৰৈ যাব
নাম মাত্ৰ এটা সময়।
যাৰ গভীৰতাত লুকাই আছে
জীৱনৰ এটা মূল্যৱান সম্পদ
সেই মূল্যই জানো আনি দিব
মধুৰ সোৱাদ
খন্তেকৰ বাবে উজলিবনে সেই সম্পদ
নে ৰৈ যাব খালী
নাম মাত্ৰ এটা সময় ? ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# কুলি

**ৰফিকুজ্জামান শ্বেখ**

বসন্ত ঋতুৰ আগমনত
কুলিৰ গান শুনি উঠে মোৰ প্ৰাণ।
কুউ কুউ বুলি কিয় মাতিছা, কুলি?
তোমাৰ এই লাজসনা মাতে
মোক হাত বাউলি মাতে
সেই সৰল সবুজ দেশলৈ।
হবানে সঙ্গী মোৰ কুলি?
তোমাৰ প্ৰাণ জুৰোৱা এই মধূৰ গান শুনি
পাহৰি যাম যাত্ৰাপথৰ কঠোৰ পৰিশ্ৰম
হবানে সঙ্গী মোৰ কুলি?
তোমাৰ সু-মধুৰ গান শুনি
মোৰ মন ঢাপলি মেলে
তৰাৰ দেশলৈ
তোমাৰ গানৰ সুৰত
শেৰালিয়েও প্ৰাণ পায়।
কুলি! হ'বানে সঙ্গী মোৰ? ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# কবি নহও মই

**ৰফিকুজ্জামান শ্বেখ**

কবি মই নহওঁ কবিতা লেখিবলৈ
সম্পাদক নহওঁ সম্পাদনা কৰিবলৈ
ভাৰ মোৰ নাই, আছে এটা চঞ্চল মন
সদায় উৰো ফুচৰ চৰাইৰ দৰে
গছে-গছে, ডালে-পাতে।
জীৱন চকৰি ঘূৰে মোৰ লাটুম ঘূৰাদি
আকোঁ কিবা ভাবি, কওঁ কিবা-কিবি
নাজানো ভৱিষ্যতে হ'ব কি গতি
তথাপি আশা কৰোঁ
থাকিম সদায় জিলিকি। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# ভালপোৱা

আফজালুৰ ৰহমান সেখ

ভালপাওঁ মই তোমাক
অসীম অপাৰ
হয়তো নিজেই নাজানো মই
আছে এই ভালপোৱাৰ কিমান দাম।

হৃদয় উপচাই দিব খোজোঁ
মই মোৰ ভালপোৱা
পিছে বিধিয়ে নিবিচাৰে
তোমাক দিবলৈ খোৱা
মোৰ মৰম ভালপোৱা

স্বাৰ্থহীনভাৱে ভালপাওঁ তোমাক
তাৰ বিনিময়ত নালাগে
মোক একো উপহাৰ
মাথোঁ ......
মাথোঁ বিচাৰোঁ তোমাৰ
হৃদয়ত ক্ষুদ্ৰ এটি স্থান
য'ত মই আজীৱন ভাল পাই যাম।

য'ত বাগৰি যোৱা অশ্ৰুবোৰ
দুয়ো একেলগে মচি পেলায়
এটি নিশান শিদ্ধয়ে ভালপোৱাৰ দৰে
মইয়ো সদায় ভাল পাই যাম। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# মোৰ প্ৰতিটো দিন আৰু ৰাতি

আফজালুৰ ৰহমান সেখ

মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ অনুভৱ
শৰীৰৰ শিৰা আৰু ধমনীৰ মাজেৰে
বৈ যোৱা তুমি মোৰ হৃদয়ৰ মাজেৰে।

তোমাৰ সেই গহীন সাগৰখনিৰ ঢৌৰ শব্দ
শুনা নাই তুমি?
অনুভৱ কৰা নাই জানো?

মোৰ এই অন্তৰৰ কোমল নাওখনি যে
তোমাৰ সাগৰত বুৰ গৈ আছে
দেখা নাই তুমি?
বিচাৰিও পোৱা নাই জানো?
তোমাৰ সেই গহীন সাগৰখনিৰ তলিত
মই যে জিৰাইছিলোঁ
তাত মোৰ উৎসাহ নাইকিয়া হয়।
নাইকিয়া হয় মোৰ চকুৰ ৰশ্মি
মই নিজকে নাপাওঁ দেখা।
বুৰ যাওঁ মই তোমাৰ সাগৰ তলিত
প্ৰতিটো দিন আৰু ৰাতিৰ সতে।
কেৱল!
মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ সতে। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# চৰাই-চিৰিকতিৰ নিচিনা

**নুৰ নাচৰিন আহমেদ**

মোৰ মায়ে কয় পঢ়া-শুনা কৰা
        দেউতাই কয় মন দিয়া
কিতাপত মোৰ মন নাই
        আম-জামুৰ গোন্ধত।
মোৰ অকল ইচ্ছা হয়
        চাৰিওফালে ঘূৰি ফুৰোতে,
গছৰ ডালত লুকাই থাকি
        চৰাই-চিৰিকতিৰ মাতোঁতে
কেনেদৰে মই চহৰ এৰি
        সেউজীয়া বনৰ গাঁৱলৈ যাম। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মা

নুৰ নাচৰিন আহমেদ

মা তোমাৰ দৰে
মই ক'তো নাপাওঁ,
সুখৰ মুখ দেখা পাওঁ
মা তোমাৰ কোলাতে।
মা মাতৰ তুলনা
নাই কোনো পৃথিৱীত;
মা তোমাৰ বুকুখন যেন
সাগৰৰ দৰে।
মই অনেক বুৰ্বক হ'ব পাৰোঁ
বহুত বেয়া হ'ব পাৰোঁ
কিন্তু মই মোৰ মাৰ বাবে
মই শ্ৰেষ্ঠ কন্যা
মোকলৈ বহুত আশা
মই দিম তাৰ সুখৰ ভাৰসা। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মানৱতা

**লাভলি পাৰভিন**

মানৱ জীৱন লৈ জন্ম লৈছোঁ আমি
তথাপি নাই আমাৰ মানৱতা
কেৱল আত্মহত্যা, ধৰ্ষণ, অপহৰণ, লুণ্ঠন
এয়াই আমাৰ জীৱনৰ কাম যেন।
প্ৰেমৰ মায়াতে আৱদ্ধ আমাৰ মানৱতা
চলি আছে শাৰীৰিক, মানসিক, যৌন নিৰ্যাতন
নাৰী ব্যৱসায়ৰ অবাধ বিচৰণ
এইবোৰে হ'ল নে মানৱ জীৱনৰ প্ৰকৃত মানৱতা?
আমি গুচি যাম সকলোৱে, গুচি যাব লাগিব
নজনা যাত্ৰা কৰি
মানৱ জাতিয়ে জন্মলৈ, গৰ্বিত নহে
মানৱ জাতিৰ গুণ বিস্তাৰিত হৈ।
ইয়াৰ বিষয় সংগ্ৰাম কৰিবলৈ
প্ৰকৃত মানৱতাৰ সদায় প্ৰয়োজন
আহক বিপ্লৱীসকল, সংসাৰক দিলে
আমি বিলাম মানৱ জীৱনৰ প্ৰকৃত মানৱতা। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# ধন্য আমাৰ জন্মভূমি

**লাভলি পাৰভিন**

ধন্য আমাৰ জন্মভূমি
জননীৰ স্নেহৰ পৰশ মই।
ধন্য অসম, ধন্য ত্ৰিজগত
ধন্য আমাৰ জননী আই।।

জন্মলৈ দেখিলোঁ তোমাৰ
চিৰ সুন্দৰ মুখনি।
তোমাৰ কোলাতে বহি লৈছোঁ
স্নেহৰ পৰশমণি।।

ব্ৰহ্মপুত্ৰৰ বুকুত আছোঁ মই
নাই মোৰ কোনো ভাৰষা।
তথাপিও আনন্দত জিলিকিল
এয়ে মোৰ অনন্ত আশা।। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মৃত্যুৰ বিভীষিকা

আল-আজমিন হক

২০১২-১৩, সূৰ্যাস্তৰ ৰঙীণ নদী
অগ্নিত ছাই জুপুৰি শুকান জোপোহা
বন্দুকৰ গুলিৰ সোৱাদ
গ্ৰহণ কৰিছিল নিৰীহ মানৱে।

তেজ মঙহ একে থকা সত্বেও
জাতি-ভেদৰ সেই হিংসা-প্ৰতিহিংসাৰ
জুই জ্বলিছিল সেই বি.টি.এ.ডি.ত
দেখিছিলোঁ, কোৰ, কটাৰী, তৰোৱালৰ যাত্ৰা
অঙ্গহীন লাচৰ ভয়াবহতা
দেখিছিলোঁ, মাতৃহীন শিশুৰ মৰ্মান্তিক কান্দোন
সন্তানহীন মাতৃৰ আৰ্তনাদ
পৰিয়ালহীন মানুহৰ কৰুণ নিঃসংগতা।

অসমীয়া জাতিৰে দুই ভাইৰ মাজৰ
এই অনন্ত যুদ্ধই আনিব
জাতিটোৰ সম্পত্তিৰ বিকাশহীনতা
জাতিটোৰ সন্মানহীনতা। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# আৰ্তনাদ

আল-আজমিন হক

নীল সেউজীয়া মাজত
মানৱ জীৱনৰ আৰম্ভণি
য'ত জীৱনৰ কৰ্মময়তা, সত্যৰ অনুসন্ধান
হয় নিষ্ফল
য'ত সুখতকৈ দুখ-কষ্ট হয় আপোন
যান্ত্রিক, স্বার্থপৰ, কঠোৰ .........। তেতিয়া;
সেই ক্ষণস্থায়ী পৃথিৱীত মানুহক
মৃত্যুয়ে দিয়ে নিজ স্বাধীনতা, নিজ মধুৰতা
সেয়েহে যান্ত্রিক যুগৰ পৰম আনন্দ
মৃত্যু!
সেই মৃত্যুক মই আহ্বান জনাইছোঁ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# বিচিত্ৰ-চিত্ৰ

**ইনামুল হাছান সেখ**

কিমান সুন্দৰকৈ দেখুৱাইছে কোনোবাই
বেঁকা থাকে যাৰ ভাগ্যৰেখা।
ঈশ্বৰে তাক কেতিয়াও নিদিয়ে এৰি,
যাৰ গুচ্ছা অবিৰত থাকে বেয়া হৈ।
মোৰ এক হ'ব,
নে তোমাৰ লাখ হ'ব।
প্ৰশংসাত তোমৰ নহ'ব,
অপমানো মোৰ নহ'ব।
অহংকাৰ নকৰিবা নিজকলৈ,
তোমাৰো নাশ হ'ব, মোৰো নাশ হ'ব।
কোনোবাই কান্দি চকুলো বোৱায়,
আৰু কোনোবাই হাঁহিয়েই দুঃখ লুকায়।

কেনেকুৱা চিত্ৰ এই ধৰণীৰ
জীৱন্ত মানুহ পানীত ডুবি যায়
আৰু মৰা মানুহ পানীত সাঁতোৰে।
মৃত্যুৰ ধাৰণা এয়ে
যেন বৰ সুন্দৰ হ'ব।
কিন্তু কোনোবাই তাৰ লগত সাক্ষাৎ কৰিলে
জীয়াই থাকিবলৈ এৰি দিয়ে।
আচৰিত একতা দেখিছোঁ, এই সময়ত।
জীৱিত থকা সকলক নমাই দিবলৈ
আৰু মৃত্যুবৰণ কৰা সকলক উঠাবলৈ।
জীৱনত নাজানো কোনটো কথা
অন্তিম হ'ব আৰু
নেজানো কোনটো ৰজনী আৰু পূৱতি নহ'ব।
মিলিজুলি কথা কৈ থকা সকলে নাজানে
কোনটো সাক্ষাৎ শেষ সাক্ষাৎ হ'ব? ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# কুঁহিয়াৰৰ ৰস

**ইনামুল হাছান সেখ**

আধুনিক সভ্যতাৰ এই সমাজত
ভোগবাদী জন-প্ৰতিনিধিৰ
গ্ৰীষ্মৰ বতৰৰ প্ৰাথীবোৰ যেন
সেই কুঁহিয়াৰ ডাল
যাক বিভিন্ন ভাঁজত পেলাই
পান কৰি সিহঁতে কৰে
নিজৰ পিঁয়াহ দূৰ।

সিহঁতে ধুমুহাত ভাঙি যোৱা আৰু
বানপানীত ডুবা কুঁহিয়াৰকো
নিমখ আৰু নেমুৰে খায়
ইয়াৰ ফলত হেনো সিহঁতৰ
ছুগাৰ হোৱাৰ সম্ভাৱনা নাথাকে।

ৰস বাহিৰ কৰোঁতে মোৰ অনুভৱ হয়
কুঁহিয়াৰবোৰৰ যন্ত্ৰণা
কিয়নো, সিহঁতে বহুত ভাঁজৰ মাজত
সোমাবলগীয়া হয়
ৰস বনোৱা মেচিনত। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# প্ৰেম স্বৰ্গীয়

**মোমিনা ইয়াছমীন**

মই তোমাক কেতিয়াও
পাহৰিব নোৱাৰোঁ।
মনত পৰে
তোমাৰ লগত কটোৱা
প্ৰেমৰ সেই মুহূৰ্তবিলাক
সেই অনুভূতিবোৰ
কেতিয়াবা ক'ব বিচাৰোঁ,
ভালপাওঁ তোমাক
মনত পৰে তোমাক।
নাজানো তুমি মোক লৈ কি ভবা
এই অনুভৱ লৈয়ে ভালপাওঁ
ভালপোৱাৰ বাবে জীৱন মোৰ
এক প্ৰেৰণা জীয়াই থকাৰ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# সপোন

মোমিনা ইয়াছমীন

ৰাতিৰ এন্ধাৰত দেখিছিলোঁ তোমাক,
জিলিকি থকা জোনাকীৰ দৰে।
চুবলৈ মন গৈছিল মোৰ
তোমাৰ জিলিকি থকা মুখখন।
ভয় লাগিছিল বাস্তৱত যদি
ধৰা নিদিয়া মোক
জীৱনৰ বাস্তৱতা স্বীকাৰ কৰিবলৈ
চিৰসত্যক আঁকোৱালি ল'বলৈ
আহিছোঁ অকলে
জীয়াই থাকিম অকলে
আকৌ গুচি যামগৈ অকলে। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# তুমি মোৰ

**আব্দুৰ ৰৌফ খন্দকাৰ**

তুমি মোৰ কেৱল মোৰ
তুমি মোৰ সুখ-দুখ
তুমি এখন নীলাযুক্ত আকাশ
মই থাকোঁ তোমাৰ লগত ডাৱৰ হৈ
তুমি মোৰ কেৱল মোৰ
তুমি মোৰ বাৰিষাৰ বৰষুণ
যাৰ পৰশ পালে প্ৰকৃতি জীপাল হৈ পৰে
তুমি মোৰ কেৱল মোৰ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# এটি নিঃশব্দ যন্ত্ৰণা

আব্দুৰ ৰৌফ খন্দকাৰ

ক্লান্ত, শ্ৰান্ত সন্ধিয়াত
নিঃশব্দে বিৰিঙি টানি
হৃদয়ৰ শূন্যতা
বুৰ গ'ল ৰক্তিম উজ্জ্বলতা
মেঘ মুক্ত নীলাকাশত
দৈনন্দিন সপোনবোৰত বিচিত্ৰ খেল
উগুল থুগুল অন্তৰৰ,
পুৰণি সোঁৰৰণী বুকুত
হৃদয়ে অনুভৱ কৰিছিল
ব্যৰ্থতা-ভৰা জীৱনৰ বিপুল বেদনা
জীৱন-যৌৱনৰ পাৰ ভাঙি অহা
সুন্দৰ সপোনবোৰৰ কোলাহল
হৃদয়ৰ আৱেগত আৱদ্ধ
এটি নিঃশব্দ যন্ত্ৰণা। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# জীৱন

আফ্রিনা ইয়াছমিন

এক যন্ত্রণাময় জীৱন
যি নিঃসংগতাৰে ভৰা,
সকলো থাকিও
মই আজি অকলশৰীয়া।
হাঁহি-কান্দোন, সুখ দুখ
জীৱনত সকলো হেৰুৱাই
ৰৈ আছোঁ নিলগত।
সৌ দূৰলৈ ৰৈ আছে
এক অজান বিপদ
পাৰিম জানো পাৰ হ'বলৈ
এই নিঃসংগতাৰ মাজেদি?
তথাপি আগবাঢ়িম
জীৱনৰ গভীৰতালৈ,
কিজানিবা দূৰ হয়
মোৰ এই নিসংগতা!
নোৱাৰোঁ সহিব আৰু
এই যন্ত্রণাময় জীৱন
তথাপি আগবাঢ়িম সাৰ্থক কৰিবলৈ
এই নিসংগতাৰ
জীৱন ..............। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্রেণীৰ ছাত্রী।

# তুমি

**আফ্ৰিনা ইয়াছমিন**

তুমি মোৰ জীয়াই থকাৰ প্ৰেৰণা
তুমি মোৰ মৰণৰো প্ৰতীক
তুমি আছা বাবে ময়ো আছোঁ
সঁচাকৈ তুমিয়ে মোৰ জীৱনৰ প্ৰেৰণা
কেৱল তুমি, তুমি আৰু কেৱল তুমিয়ে।
যিদিনা তুমি নাথাকিবা
ময়ো নাথাকিম,
দুয়ো দুয়োৰে সৈতে উমলিম
সেই আকাশত
য'ত তৰাবোৰ জিলিকি থাকে
দুয়ো দুয়োৰে সৈতে কথা পাতিম
সেই আকাশত
য'ত জোনাকে পোহৰ দিয়ে,
কেৱল তুমি আৰু মই
কেৱল তুমি আৰু মই। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# আকাশী যানেৰে তুমি থকা ঠাইলৈ যাম

দেবযানী শীল

আকাশী যানেৰে তুমি থকা ঠাইলৈ যাম
তোমাক পাবলৈ নহয়
চাবলৈ হে!
তুমি, তোমাৰ শুই থকা বিচনা, কাগজ, কলম
মোবাইল, লেপটপ, ঘামৰ গোন্ধ থকা সেই
কাপোৰবোৰো
চুবৰ মন গ'লেও নিজক নিয়ন্ত্ৰণ কৰিম।
তুমি সদায় অহা-যোৱা কৰা বাটটোক কৈ থম
ট্ৰাফিক জাম নকৰিবি বুলি।
তোমাৰ সুখত মোৰ তৃষ্ণাতুৰ হৃদয়,
তোমাৰ নিসংগতা, ক্লান্তময় অতৃপ্ততা দেখি
যেতিয়া তোমাৰ ওচৰ চাপিবলৈ মন যাব
মৃত্যু নামৰ এক অপ্ৰিয় সত্য সন্মুখীন হ'ব মোৰ,
তুমি মোক অনুভৱ কৰিবানে?
আকাশী যানেৰে তুমি থকা ঠাইলৈ যাম
তোমাক পাবলৈ নহয়
চাবলৈ হে! ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# স্বাৰ্থপৰ হৈ পৰিছোঁ

**দেবযানী শীল**

সূৰ্যৰ তীক্ষ্ণ উত্তাপ আৰু তোমাৰ লগ বিচাৰি
বি.ও.চি.ৰ গলিটোত দুপৰীয়া
ময়েই জিলিকাইছিলোঁ।
এবুকু প্ৰেম আৰু নানা সপোন হাতত লৈ
তুমি সদায় থিয় হৈ থকা মোৰ অপেক্ষাত
আকাশখনতকৈয়ো যেন তোমাৰ বুকুৰ গভীৰতা বেছি
সেই এবুকু প্ৰেম পোৱাৰ আশাত মই
স্বাৰ্থপৰ হৈ পৰিছোঁ।
তুমি বাৰু এন্ধাৰ দেখিছানে?
তোমাৰ মুখত এন্ধাৰৰ সমালোচনা
কেতিয়াও শুনা নাই
তুমিতো পোহৰৰ হাবিয়াসেৰে ঘূৰি ফুৰা যাযাবৰ
সেই যাযাবৰৰ ঠিকনা হ'বলৈয়ে মই
স্বাৰ্থপৰ হৈ পৰিছোঁ
হাঁহি-ধেমালি ৰক্ষণত যেতিয়া তুমি হৃদয় বিচাৰিবা,
প্ৰেমৰ সুগোন্ধত উন্মদ হ'ব বিচাৰিবা
দুটি হাতেৰে সেই পোহৰ বিচাৰিবা
তেতিয়াই উপলব্ধি কৰিবা
ময়েই আছিলোঁ এন্ধাৰ। পোহৰ বিচাৰি এই
স্বাৰ্থপৰ হৈ পৰিছোঁ। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# সঁচা প্ৰেম

**বিক্ৰম মালাকাৰ**

তোমাৰ সাগৰ নীলা দুচকুত
দেখা পাইছিলোঁ মোৰ জীৱনৰ ভৱিষ্যত
কিন্তু ক'তবা হেৰাই থাকিল!
তোমাৰ দুচকুৰ মাজত দেখা পোৱা
মোৰ সেই সপোনবোৰ।
এতিয়া মোৰ হৃদয়ত জ্বলিছে কেবল
বিষাদৰ জুই।
নাজানো কেতিয়া স্তব্ধ হ'ব মোৰ
হৃদয়ত জ্বলি থকা জুইকুৰা।
মই জানো তুমি আহিবা এদিন
মোৰ হৃদয়ৰ জুইকুৰা নুমুৱাবলৈ।
এই আশা লৈ জীয়াই আছোঁ
তুমি অবিহনে
সেই জুইকুৰা এতিয়া দপ্‌দপ্‌কৈ জ্বলি উঠিছে
সমস্ত আশা মোৰ জ্বলি পুৰি ছাই হৈছে
আৰু জঁই পৰি ৰৈছে মোৰ
সেই হৃদয়খন। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# অভিমান

**বিক্ৰম মালাকাৰ**

মই বাচিব খুজিছিলোঁ
থাকিবলৈ লৈছিলোঁ তোমাৰ মৰমত মাতলীয়া হৈ
তুমি আছিলা মোৰ এন্ধাৰৰ জোনাক
তুমি আছিলা মোৰ সপোনৰ ৰাণী
তুমি আছিলা মোৰ মুখৰ হাঁহি
তুমি আছিলা মোৰ দুখৰ ভাগী।
কিন্তু তুমি মোক জগৰীয়া কৰিলা
এজাক উৰন্ত ধুমুহাৰ বাবে
যি এতিয়াও আছে। কিন্তু অলপ
পিছতে সকলো উটুৱাই লৈ
আনন্দৰে গুচি যাব।
নীতি-নিয়ম নমনা ধুমুহাজাকে
বন্দীত্বৰ বান্ধোন ছিঙিব খোজে,
ক্ষোভতে ওন্দোলি উঠিছিল মোৰ আকাশখন
অভিমানী শিলৰ ওপৰেৰে। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# এটি অনুভৱ

ৰীতা ৰায়

মোৰ প্ৰতিটো ক্ষণৰ এটি অনুভৱ,
মৃত্যুৰ তাড়নাত ৰজনজনাই উঠে।
শৈশৱৰ সেই ধূলি, ওপৰৰ পৰা তললৈ আনে,
জানানে সেইটো সময়নো কি?
তেতিয়া মোৰ মৰীচিকা বিচৰা সময়
বিচাৰোঁ মই দূৰণিৰ নীৰৱতা
নিষ্ঠুৰ জীৱনৰ গতিশীলতা ........।
যি কেতিয়াও নাহে মানুহৰ জীৱনলৈ
তাতেই থাকা নীৰৱ শিলাখণ্ড হৈ
চাই থকা আমাৰ অৰণ্যৰ গছ-গছনিলৈ
অনিষ্ট কৰিবলৈয়ো চেষ্টা নকৰিবা
এইবোৰেইতো আমাৰ ঘৰ সজোৱাৰ এপদ এপদ সম্পদ
তুমিও থাকা,
তাৰেই মাজত বিচাৰোঁ, এক স্থিৰতা। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# সখী

ৰীতা ৰায়

মই ক'ব পাৰোঁ মই আজলী
নৈপৰীয়া সেই বতাহজাকৰ মই চিনাকী ছোৱালী
গধূলিৰ সেই ৰঙা বেলিটিৰ মই লগৰী
সখী উভতি নহাৰ সময়লৈ মোক ৰখি থাকে
মোৰ বেলিটি।
খিলখিলীয়া জুৰিটিৰ সৈতে খেলিলে মই পাগলী
পিতাই দূৰণিৰ পৰা ৰিঙিয়াই — 'আয়ৈ আহহি' .....
কিন্‌কিন্‌য়া বৰষুণজাকে মোক বাধা দিয়ে
তুমি ইয়াতেই থাকা উমলি,
সকলো নিস্তব্ধ হৈ গ'ল, ৰুণুকজুনুকৈ ওলাল জলপৰী
নাচি বাগি থাকোঁতেই আমাৰ বেলিটি ওলাল
আকৌ এতিয়া শংকিতৰ দলটিৰ সময়
খণ্ডত সখী জ্বলি উঠিল;
যিমান পাৰে প্ৰখৰ হৈ পৰিল গোটেই সময়
দহন কৰিব নাপাই আকৌ হৰিল
সময় হ'ল, সখীৰ সৈতে দুখৰ বকলা মেলিবলৈ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# জেলেপি

**কহিনুৰ ইছলাম**

জেলেপিৰ পাকে পাকে
মোৰ অখণ্ড ভাৱ।
তুমি ৰঙচুৰা হ'লে সকলোৰে ভালপায়
তুমি ক'লা হ'লে কোনেও নাচায়
তুমি পুৰি গ'লে কোনেও নাখায়
কিন্তু সকলোৰে দেখিছে
বজাৰৰ পাচিৰ মাজত তুমি
চুপহৈ আছিলা
তোমাক কি ভালপোৱা নাছিলোঁ মই?
ধুনীয়া তিৰোতাৰ মোনাত উঠি
যাবলৈ ইচ্ছা কৰা
এই কি তোমাৰ আচৰণ
তোমাৰ শৰীৰ ৰসেৰে ভৰা
সুগন্ধিময় জীৱন
নাচি থাকে মানৱৰ আগত
মানুহে তোমাক ভালপায়
মিঠা সোৱাদ আছে বাবেই।

এতিয়া সিহঁতৰ শক্তি আৰু নাই
ৰাতিত তুমি
ৰসেৰে ৰসোতীৰ্ণ কৰিছিলা মোক
কি যে মাদকতা
বুজিব নোৱাৰা ভালপোৱাৰ টোপোলা
মানুহে তোমাক চোবাই খায়
তুমি কি দুখ নোপোৱা?
দুখৰ বোজা নমাই আনা তুমি
সুখৰ বাতৰি বিলাই। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# পৰকীয়া প্ৰেম

কহিনুৰ ইছ্লাম

প্ৰেম ভালপোৱা যিয়ে নোকোৰা
মানৱৰ প্ৰেমত উপচি পৰে মন
পৰকীয়া প্ৰেম আছে যাৰ
ঘৰতো নবহে মন।
উদাস মনৰ ভালপোৱা
কোনেও বুজি নাপায়
ক'ত নাই ভালপোৱা মন
য'তেই যোৱা নিৰ্যাতনৰ বলিহোৱা।
পৰকীয়া প্ৰেমৰ আৱেগত উত্ৰাৱল হৈ
বুকুত সাৱটি লৈ
ওঁঠত ওঁঠ লগাই চুমা আঁকি দিয়া
এই কি তোমাৰ স্বভাৱ।
প্ৰেমৰ বলি হৈ সেন্দূৰৰ ফোঁট দিয়া
এইয়া কি আচৰণ?

সন্ধাৰ পৰশ পোৱা সেন্দূৰৰ ফোঁটবোৰ
ব্ৰহ্মপুত্ৰৰ পানীৰ সোঁতত
কঁপি কঁপি নৃত্য কৰিছিল।
সময়ত সেন্দূৰৰ ফোঁটবোৰ মিলি গৈছিল।
মনত পৰেনে বাৰু তোমাৰ?
মোৰ গৰ্ভত তোমাৰ সন্তান
তুমি গৈছা উভতি
পৰকীয়া প্ৰেমৰ বলি হৈ
তেজৰ টোপোলা এটা কঢ়িয়াইলৈ
জীয়াই আছোঁ পৃথিৱীৰ বুকুত। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# অভিশপ্ত নাৰী

উৰ্বশী ৰায়

সমাজৰ অৱহেলিত নাৰী।
জীৱনৰ ভাৰ যেন
কঢ়িয়াব নোৱাৰা নাৰী।
অভিশপ্ত আজি জীৱনৰ গহীনতা
স্বাৰ্থ বিদ্বেষত দিন ৰাতিৰে
অবিৰত ভাৱে
অগ্নিত জ্বলি থাকে নাৰী,
বোঁৱাইছে দুখৰ অশ্ৰুজল
সঁচাকৈ নাৰী অভিশপ্ত নে?
সমস্ত ব্ৰহ্মাণ্ডত
যাৰ পদস্পৰ্শত জগতৰ সময়,
সি এক মায়াৰ সুগন্ধিৰে ভৰপূৰ।
হে নাৰী, তোমাক জনাওঁ শতকোটি প্ৰণাম
তোমাৰ অবিহনে এই জগত নিমাখিত
এই নিষ্ঠুৰ মায়াৰ জগতৰ যন্ত্ৰণা সহিও
তুমি ভাগৰি নপৰা কিয়?
তুমিয়ে অজস্ৰ প্ৰাণীৰ সন্মান ৰক্ষা কৰি
দায়বদ্ধতা অৰ্জন কৰা।
অথচ কিয়? তুমি বাৰে বাৰে অসন্মান হ'ব লগা হয়
জীৱনৰ গহীন বিপদত
নানা যন্ত্ৰণাৰ বলি হৈ?
সেই সহ্যৰ মহাসমুদ্ৰ পাৰ কৰি
নিজকে সৰলীকৰণৰ মাজেৰে
শ্ৰেষ্ঠত্ব অৰ্জন কৰাজনেই হ'ল নাৰী।
নাৰীয়ে সময়ে সময়ে যুদ্ধৰ মাজেৰে
আত্মসন্মান ৰক্ষা কৰি বিজয়ী হৈ
ইতিহাসৰ প্ৰতিটো মুহূৰ্ত কঁপাই তুলিছে। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# অসুখ

**উৰ্বশী ৰায়**

শুনিছিলোঁ তাইৰ অসুখ
কেতিয়া আহিল অসুখ
কোনেও বুজিব নোৱাৰা অসুখ
দুখত কান্দিব নোৱাৰা অসুখ
সুখত হাঁহিব নোৱাৰা অসুখ
আনৰ দুখবোৰ বুকুৰে আদৰিলৈ
নিজকে বলিদান দিয়া অসুখ
কলিজা ফাটি ৰক্তাক্ত হোৱা
হৃদয় জ্বলোৱাৰ অসুখ,
কোনেও নাজানে সেই অসুখত
আছে হয়তো সেই সুখ;
আনৰ দুখত আনৰ সুখত
হৃদয় বিলাই দিয়াই সেই সুখ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ৪ৰ্থ ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মা

জেছমিনা বেগম

মা তুমিয়েই মোৰ পৃথিৱী
তুমি অবিহনে মোৰ
নাই কোনো স্মৃতি।
তুমিয়ে মোৰ জীৱনৰ লগৰী
তোমাৰ মৰমে দিয়ে
জীয়াই থকাৰ সঁহাৰি।

তোমাৰ অবিহনে
নাই কোনো জীৱনৰ অৰ্থ,
মা, তুমিয়েই মোৰ
সকলোতকৈ প্ৰিয়।

তুমিয়েই মোৰ আপোন
তুমিয়েই মোৰ জীৱন,
তুমিয়েই লগৰী মোৰ
জীৱন বাটৰ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মোৰ গাঁও

জেছমিনা বেগম

মোৰ গাঁওখন অতি ধুনীয়া
সেউজীয়া বননিৰে ভৰা,
নদ-নদী পৰ্বত পাহাৰে
চাৰিওফালে আৱৰা।

ৰাতিৰ প্ৰভাতৰ নিৰ্জনতাত
মৃদু বতাহ বলে,
গছ লতাৰ সোণোৱালী পাত
ততালিকে সৰে।

চৰাই-চিৰিকতিৰ সুমধুৰ গীত
শুনিবলৈ পাওঁ,
মোৰ এই গাঁওখনিতে
আমাৰ বতৰা পাওঁ।

পুৱাৰ আকাশৰ নীলা ৰঙলৈ
সপোন ৰচোঁ নতুন জীৱনলৈ,
এই গাঁৱৰে আশীৰ্বাদ লৈ
আগুৱাই যাম সন্মুখৰ বাটলৈ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# আমিয়েই দেশৰ প্ৰাণ

**জেউতী প্ৰভা বৰ্মন**

আমি ছাত্ৰ
আমিয়েই দেশৰ প্ৰাণ,
সকলোৱে মিলি সদায়
ৰাখিম দেশৰ মান।
সকলোতে গছ-বন ৰুই
বাগিছা বনাম,
সেউজীয়া পৰিৱেশেৰে
পৃথিৱী সজাম।
বৰ্তমানৰ ছাত্ৰ আমি
দেশৰ হিতৰ বাবে সদায়
ভাল পন্থাহে ল'ম।
আমি ছাত্ৰ বৰ ধৰণী
মহাত্মা গান্ধীৰ দৰে হ'ম,
কেতিয়াও কাৰো আগত
মিছা কথা নক'ম।
ছাত্ৰ, ছাত্ৰ আমি ছাত্ৰ
আমিয়েই দেশৰ প্ৰাণ,
দেশৰ কাৰণে প্ৰস্তুত থাকিম
দিবলৈ আমাৰ প্ৰাণ।। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# বসন্ত

জেউতী প্ৰভা বৰ্মন

বসন্ত, বসন্ত এটি ঋতু
শীতৰ শেষত বসন্ত আহে,
বৰদৈচিলাই আগজাননী দিয়ে।
কুলি মিঠা মাতত
তগৰ বকুল সৰে,
পাহাৰৰ কপৌ ফুলেও
হাঁহি-হাঁহি পাহি খেলে।
স্নিগ্ধ গোলাপৰ পাহিত
নিঁয়ৰ গুচি নৈ বৈ যায়।
কুমলীয়া পাতত চেনাইৰ
মৰমৰ বতৰা আনি দিয়ে,
মোৰ হিয়াৰ মাজত।
তুমি চেনাই মোৰ
ব'হাগৰ মাকো,
তোমাক নেদেখি মই
কেনেকৈ থাকোঁ।
অসীম চেনেহৰে তাঁতত বোৱা
ভমকাফুলীয়া বিহুৰে বিহুৱান
থৈ দিছোঁ মই। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# আমি আজিৰ ডেকা

হাছিনা খাতুন

আমি নিবিচাৰোঁ ৰাজনীতি
আমাক নালাগে শাসনৰ নামত শোষণ
যাক কৰোঁ নিৰ্বাচন, সিয়েই লয়
ধ্বংসৰ পণ।
আমাক নালাগে স্বাৰ্থপৰ নেতা,
যাৰ আদৰ্শ হিংসাৰ বীজ সিঁচা।
আমি আজিৰ ডেকা, মৰিবলৈ
ভয় আমাৰ নাই।
আমাক লাগে আদৰ্শ, আমি বিচাৰোঁ শান্তি।
আমি নিবিচাৰোঁ জাতি, নিবিচাৰোঁ ধৰ্ম
মাথো বিচাৰোঁ মানুহ।
আমাৰ পণ, হিংসা-ধৰ্ষণ-ঈৰ্ষামুক্ত
সমাজ গঢ়াৰ
জগতত শান্তিৰ নিজৰা বোৱাৰ।
ক্ষমতাৰ জঘন্য বুৰঞ্জী পঢ়াৰ (ৰচাৰ)
হেঁপাহ আমাৰ নাই
আমি আজিৰ ডেকা। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# শৰৎকাল

হাছিনা খাতুন

তুমি আহিলা শৰৎ, সঁচাই আহিলা
মই গ'মেই নাপালোঁ, তুমি আহিলা বুলি।
ভালেই হ'ল দিয়া তুমি আহিছা যদি
মই বৰফে আনন্দিত, তুমি অহাৰ বাবে।
কিয় জানানে?
পুনঃ ফুলিব শেৱালি মোৰ চোতালত
সুৱাসেৰে মোৰ ভৰিব হৃদয়
আমোল-মোলাই তুলিব ধৰা (ধৰণী)
জগতে ৰচিব আশাৰ সপোন;
তোমাৰ স্নিগ্ধ জোনালী নিশাত।
পুৱাৰ সেমেকা কুঁৱলীয়ে কৰিব
জগত মুকলি, নিশাৰ এন্ধাৰ উজাৰি।
লব প্ৰভাতী কিৰণৰ মিঠা মাদকতা
শুভ্ৰ বহুবাৰে ভৰিব জুৰিটিৰ পাৰ
মৃদ্যু সমীৰণে বিয়পাব পৱিত্ৰতা
শুভ্ৰতাই কৰিব নাশ, জগতৰ
সমস্ত কালিমা। ❑❑

★ কবি ঃ  ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মাতৃভূমি

আয়েশা ছিদ্দিকা

হে জনমভূমি আই
যুগে যুগে তোমাৰ বুকুত
কত যে সভ্যতাৰ আগমন
তাৰ জ্বলন্ত সাক্ষী তুমিয়েই।
তোমাৰ বুকুত লিখা আছে
অতীতৰ সেই সভ্যতাৰ গৌৰৱময় ইতিহাস
হয়, তুমি কাহানিও মূৰ দোওৱা নাই
হিমালয়ে যে তাকেই কয়।
প্ৰেম, মৌলতা, যৌৱন তোমাৰেই আজণ্ডাৰ দান
অজক কৰি ৰখিছা তুমি
সুন্দৰ পৱিত্ৰ প্ৰেমৰ এক অপূৰ্ব নিদৰ্শন
গংগা, যমুনা, গোদাবৰী, ব্ৰহ্মপুত্ৰই
তোমাক কৰিছে সেউজীয়া। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# নাৰী

আয়েশা ছিদ্দিকা

আমি নাৰী,
আমি নাৰী হৈও ভাবিছোঁনে নাৰীৰ যন্ত্ৰণা,
কিমান, দুখময় নাৰীৰ জীৱন
নাৰীৰ জীৱন যন্ত্ৰণাময়, কষ্টকৰ
তথাপি জীয়াই আছোঁ।
ইমান তাপ, বৰষুণ এই জীৱনটোত
আমি সদায় ভাৰাক্ৰান্ত,
তথাপি জীয়াই আছোঁ
পুৰুষসকলে কয়, নাৰীৰ জীৱন
সুন্দৰ, সুখজনক আৰু আনন্দদায়ক
হয় নে বাৰু?
কিয় সুন্দৰ, কিয় সুখজনক, কিয় আনন্দদায়ক।
মই ভাবোঁ নাৰীৰ জীৱন কষ্টকৰ
নাই কোনো স্বাধীনতা, নাই কোনো সুখ
মোৰ চেতনাত ভাঁহি থাকে নাৰীৰ যন্ত্ৰণা।
তথাপি
ওঁঠত হাঁহিলে, বুকুত সাহসলৈ
খোজৰ লগত খোজ মিলাই
তথাপি জীয়াই আছোঁ
নাৰীৰ মন সুন্দৰ, কোমল হৃদয়ৰে ভৰা
নাৰী যেন বগা কাগজ
মই ভাবোঁ নাৰী আকাশৰ জোন, পূৰ্ণিমাৰ চন্দ্ৰ। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# নিঃসংগতা

**নাৰগিছ চুলতানা বেগম**

মই ৰাতিৰ এন্ধাৰ
হঠাৎ কলা ধুমুহাজাক
আকাশজুৰি বিজুলীৰ গৰ্জন ঢেৰেকনি
নামি আহিল
অমাৱস্যাৰ ঘোৰ প্ৰকোপ,
হেৰাই গ'ল
হেৰাই গ'ল ক'ৰবাত
জীৱনৰ ৰঙীণ পোহৰ
ৰৈ গ'লো মই
অকলে,
নিঃশব্দ, নিঃসংগতাৰ মাজত
মই ৰাতিৰ এন্ধাৰ। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# ব্যৰ্থতা

**নাৰগিছ চুলতানা বেগম**

সেইদিনা মই বহুত হাঁহিছিলোঁ
মোৰ সুখবোৰে মোক
আঁকোৱালি ধৰিছিল।
হঠাৎ ক'লা ডাৱৰৰ ছাঁ
মোৰ মূৰৰ ওপৰত
আৰু আন্ধাৰৰ আকাশী খলপাৰে
নামিল স্বয়ং শূন্যতা
নামিল হৃদয়ৰ শূন্যতা।
তাৰ পিছত নামি আহিল ৰাতি
আৰু আন্ধাৰবোৰ দীঘল হৈ গৈ থাকিল
নদীতকৈ দীঘল হৈ বৈ থাকিল
বান আহিল আৰু বলিয়া বানত
মন আকাশ নিঃশব্দে সৰি পৰিল
আৰু বুৰ গ'ল বুৰবুৰণিত।
ব্যৰ্থতাৰ ভৰা জীৱনৰ বেদনা বিপুল
কোনোমতে উশাহটো লৈ আছোঁ
হাড় কিডালিহে বাকী আছে
বাট চাই আছোঁ, তিতা মেঘৰ আঁৰত
লুকাই থকা জোনটি লৈ,
নামি আহিব এদিন
সকলো আন্ধাৰ ফালি
হালধীয়া হৈ।। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# আশা

**কৰিস্মা নাথ**

মনৰ মাজত বহুত আশা
ৰাখিছো গোপনে,
কেনেকৈ যে পূৰ্ণ হ'ব
ভাবো মনে মনে।
কেতিয়াবা ভাবো গায়ক হ'ম
কেতিয়াবা ভাবো কবি,
কেতিয়াবা ভাবো পৃথিৱীজুৰি
হ'ব মোৰ ছবি।।
ইচ্ছা আছে মনত মোৰ
কৰিম শিক্ষকতা,
দেশৰ পৰা দূৰ কৰিম নিৰক্ষৰতা।
বহু ধৰণৰ আশালৈ
জীয়াই আছোঁ মই
কোনটো যে পূৰ্ণ হ'ব
কেনেকৈ কওঁ মই? ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# প্ৰকৃতি

কৰিষ্মা নাথ

পুৱা শুই উঠিয়েই প্ৰথমতে
দেখোঁ সেউজীয়া গছ-গছনিৰ
মনোৰমৰ শোভা,
শুনো কিচিৰ-মিচিৰ চৰাই-চিৰিকটিৰ
মনোমোহা গীত
পূৱত উদয় হোৱা বেলিটি
শীতৰ পুৱা, নিঁয়ৰৰ শব্দ
শুনিলেই মন ভাল লাগি যায়।
শীতত শেৱালি ফুলৰ গোন্ধ পাওঁ
পুৱাৰ সতেজ বতাহজাকে
গা-মন জুৰ পেলায়,
মনলৈ আনে পৱিত্ৰতা।
বিয়লি আকাশৰ
সূৰুযৰ আভাই হিয়া জুৰাই।
হে পৰমপিতা, আশীৰ্বাদ কৰা
এই বিশাল পৃথিৱীত
প্ৰকৃতি যেন সদায় একেদৰেই থাকে। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মা

ছন্দামিতা চক্রৱর্তী

মা তুমি অনন্যা
        তুমি অপৰূপা
কিহেৰে পূজিম তোমাক
        মা
ভালপোৱাৰে নে শ্ৰদ্ধাৰে
নে হৃদয়ৰ মালাধাৰিৰে
শত শত ক্লেশ বেদনা
সহিছিলা নীৰৱে নিচুপ হৈ
সেয়ে তুমি মাতৃ, জননী
জগতৰ জীৱনদায়িনী। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# বৰ্ষা

ছন্দামিতা চক্ৰৱৰ্তী

টিপ্ টাপ্ বৰষুণ পৰে
মোৰ চোতালত সৰিয়হ ফুলে
গছ্ লতিকাৰ ভাগিল এলাহ্
মোৰ মন জিলিকি থাকে।
হিৰ হিৰ গিৰ গিৰ
গাজনি ঢেৰেকনি
সকলোৰে আছে গুজৰি গুমৰি
সাজি কাছি আমোলমোল
ব'হাগীক আদৰিবলৈ উত্ৰাৱল। ❑❑

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মই সেউজীয়া

➲ জুবাইৰ আহমেদ

মই ধৰাৰ জীয়াৰী
সুন্দৰ সেউজীয়া প্ৰকৃতি
অকল মোৰেই যেনিবা
পৰিৱৰ্তন নহয় নীতি।।
মোৰ সৌন্দৰ্যৰ অম্লান জ্যোতি
কোনে কিয় চায় উভতি
চাবলৈ পায় যিজন
প্ৰকৃত চিন্তাবীৰ সেইজন।।
প্ৰয়োজন পূৰাই আছোঁ গছ-গছনিৰে
সেই আদিৰে পৰা এতিয়ালৈকে
প্ৰয়োজনত আছোঁ সদায় উদাৰ মনেৰে
নকৰিবা ধ্বংস, নিদিবা কাটিবলৈ
ক্ষতি যে হয় মোৰ
মই সেউজীয়া প্ৰকৃতি।। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# তুমি

**জুবাইৰ আহমেদ**

সপোনতো দিঠকতো
দেখি থাকোঁ তোমাক
তুমি মোক লুকুৱাই ৰখা
ৰ'দ বৰষুণৰ পৰা
গোপনে ৰাখা মোৰ প্ৰেম, মোৰ বাসনা।
বৰষুণজাকে ব্যাকুল কৰি তোলে
তোমাৰ বাট ভেটি ধৰিলে ধুমুহাই,
বাঢ়ে আকুলতা
ভোক, পিয়াহ, জিৰণিৰ বাবে
তুমি ৰৈ থকা মোলৈ!
সভ্যতাৰ কোনো এটা দোক-মোকালিত
জন্ম হৈছে তোমাৰ
তোমাতে জীৱন-পৰিক্ৰমাৰ আদি-অন্ত
শতিকা শতিকা জুৰি প্ৰৱাহমান
তোমাৰে উত্তৰাধিকাৰী।
ভয় কৰো, বান-খহনীয়া, ভূমিকম্প
অনল আৰু মৃত্যুৱে
নিমিষতে অস্তিত্ব নাই কৰিব তোমাৰ।
তথাপি, হেৰুৱাব নোখোজো তোমাক। ❑❑

---

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# হৃদয়ৰ ঠিকনা

৩ তাহমিনা খাতুন

মনত আছেনে তোমাৰ সেই ৰাতিটোৰ কথা?
এৰা, এন্ধাৰ নামিল।
তাৰ পিছত এন্ধাৰত তুমি আৰু মই
কোনো সাৰ-সুৰ নোহোৱা নিৰ্বাক মুহূৰ্ত
কিছু নিষ্প্ৰাণ সময়,
আৰু তাৰ মাজতে সাৰপাওঁ পাওঁ ৰাতিপুৱাৰ বেলিটো
হঠাতে মই যেন বিচাৰি গ'লোঁ মোৰ ঠিকনা
মোৰ হেৰুৱা ঠিকনা।
তোমাৰ উষ্ণ আলিংগনৰ মাজত
চিৰদিনৰ বাবে —
এতিয়া এয়াই মোৰ ঠিকনা
মোৰ হৃদয়ৰ ঠিকনা। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মা

**তাহমিনা খাতুন**

মা তুমি অনন্যা
মা তুমি তুলনাবিহীন
পৃথিৱীৰ কাৰো লগতে কৰিব নোৱাৰোঁ
তোমাৰ তুলনা।
মা তোমাৰ কেঁচা কলিজাটিৰ ভিতৰত
আছে নো কি
এবাৰ চাব পাৰিমনে?
সংগ্ৰাম, বাস্তৱ, কল্পনা, আশা-নিৰাশা,
হতাশা, বেদনা
এইবোৰ কঢ়িয়াই লৈ ফুৰা
তোমাৰ অন্তৰত।
মই ভাবিছিলোঁ তুমি বৰ অহংকাৰী
কাৰণ তুমি যে কেতিয়াবা নেদেখুৱা
তোমাৰ অন্তৰৰ বেদনা।
বুজিব নিদিয়া তোমাৰ
অন্তৰৰ ভাষা
মা তুমি তুলনাবিহীন
মা তুমি অনন্যা
মা তুমি অনন্যা। ❑❑

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# তোমাক লৈ কি লিখিম

৩ লিপিকা আফৰুজা

তোমাক লৈ কি লিখিম
উপন্যাস, নাটক নে কবিতা
যদি উপন্যাস লিখোঁ
কাগজ কম হৈ যায়,
যদি নাটক লিখোঁ
চিঞাহী কম হৈ যায়
আৰু যদি কবিতা লিখোঁ
ভাষা নাইকিয়া হৈ যায়।
কেতিয়াবা তোমাক লৈ
ভাবিবলৈ মন যায়
কিন্তু ভাবিবলৈ ল'লৈ
কল্পনা কম হৈ যায়
এতিয়া তুমিয়ে কোৱা
তোমাক লৈ কি লিখিম? ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মা

লিপিকা আফৰুজা

তুমি মোৰ কিমান আপোন
জানানে মা
মোৰ হৃদয়ৰ প্ৰতিটো কোণত
অকল তুমি
তুমিয়েই আছা চিৰ যুগমীয়া হৈ
সকলো ঠাইতে কেৱল তুমি
তোমাৰ অবিহনে কেনেকৈ জীয়াই থাকিম
স্বৰ্গ, মৰ্ত্য, পাতালত তুমিয়েই
অবিচলিত হৈ আছা
তোমাৰ কোলাতেই প্ৰথম উমলিছিলোঁ
জন্ম লোৱাৰ প্ৰথম দিনৰ পৰা
মোৰ সুখৰ প্ৰথম শব্দ
তুমি ধ্বনিত হলা
তুমি এজনী এনেকুৱা মা
যিজনে পুৱাৰ পৰা গধূলিলৈ
গধূলিৰ পৰা ৰাতিলৈ অকল
আমাৰ কাৰণে কাম কৰা
কেতিয়াবা বিচৰা মৰমৰ হাত বুলনি
যিটো মোৰ পক্ষে হৈ পৰে যাতনা
হে মাতৃ, তোমাৰ সহনশীল প্ৰবৃত্তি
জন্মগত নে পৰম্পৰাগত?
তুমি মোৰ জীৱন-সাৰথি। ❑❑

---

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মুকলি কৰি দিয়া আমাৰ পথাৰ

◌ নমিতা দাস

মুকলি কৰি দিয়া আমাৰ পথাৰ
নেলাগে দিব আমাৰ জীৱনত এন্ধাৰ
ক'ত! ক'ত হেৰাই গ'ল সেই বিশিষ্ট ব্যক্তি
যিজনে সংগ্ৰামৰ যোগেদি কঢ়িয়াই আনিছিল
দেশৰ বাবে মুকলি পথাৰ।
ক'ত?
এতিয়া আকৌ যেন উভতি আহিছে আনে কৰা শাসন
নিজৰ মাজতে যেন হেৰুৱাই গৈছে নিজৰ জীৱন।
বৰ্তমানৰ শাসনৰ নানান বচন
কাঢ়ি ল'বলৈ ধৰিছে যেন সকলোৰে যতন
নেলাগে আমাক ৰাজ কৰি নীতি কৰা ব্যক্তি
আমাক লাগে কেৱল আমাৰ স্বাধীন দৃষ্টি।
অন্যায়, অবিচাৰ, ভ্ৰষ্টাচাৰ আদিৰ হকে তোমালোকৰ যি বিচাৰ।
নেলাগে আমাক ইয়াৰ শান্তনা। কাৰণ,
তোমালোকৰ বাবে যেন হৃদয়ত ওপজে ধিক্কাৰ
সেয়ে অকল ওভোতাই দিয়া আমাক আমাৰ মুকলি পথাৰ
য'ত মুক্তিৰ উশাহ ল'বলৈ যেন নালাগে বান্ধোনৰ শিকলি
নেথাকে কোনো চাপ।
নোৱাৰিবা নে এনে দেশ গঢ়িব
য'ত নেথাকে জাতি-ধৰ্ম-বৰ্ণৰ ভেদ ভাৱ।
যদি সুন্দৰ দেশ গঢ়িব খোজা
তেন্তে ওভোতাই দিয়া আমাক আমাৰ মুকলি পথাৰ। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# প্ৰদান

**নমিতা দাস**

বৈ যোৱা, বৈ অকণমান চাই যোৱা
দিছিলে নহয় স্বাৰ্থ অবিহনে তোমাক জন্ম সেই মাতৃজনীয়ে
পাহৰিলা ছাগে,
কাৰণ তুমি যে খুবেই ব্যস্ত।
নিজকে গঢ়িবলৈ ইমানেই ব্যস্ত তুমি
পাহৰিয়ে পেলালা নিজ মাতৃৰ সকলো অৱদান,
সকলো স্নেহ, সকলো ত্যাগ।
মনত নপৰে
তোমাৰ সু-স্বাস্থ্য কামনা কৰা সেই হৃদয়বান গৰাকীলৈ?
শৰীৰৰ ঘাম পানী কৰা সেই মমতাময়ী জনীলে।
নপৰে ছাগে, কাৰণ সেয়া যে আছিল এক সময়ৰ কথা।
সময় এতিয়া পৰিৱৰ্তন হৈছে।
যি সময় পাৰ কৰি তুমি আগুৱাই আহিছা
নিজৰ সংসাৰ ৰচিছা
তোমাৰ জানো সময় আছে সেইবোৰ ভাৰিবলৈ?
তথাপিও এবাৰ
বৈ যোৱা, বৈ অকণমান চাই যোৱা।
কেৱল দুটোপাল চকুৰ পানীৰে তেওঁক অকণমান প্ৰেমবিলাই আহা।
তেওঁ কান্দিছে, তোমাক চাবলৈ তেওঁৰ প্ৰাণ যে কান্দিছে।
অস্থিৰ হৈছে তোমাক দুবাহুৰ মাজত আঁকোৱালি ল'বলৈ।
যোৱা, এবাৰ তুমি
এবাৰ আহা।
কুৰি বছৰ ধৰি তোমাৰ বাবে ব্যক্ত কৰা তেওঁৰ জীৱনৰ
দান সমূহক প্ৰতিদান হিচাপে এপলক মৰম বিলাই আহা।
আশাকৰো তুমি চাই আহিবা। ❑❑

---

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মনৰ অনুভূতি

⚀ ছাইফুল হাছান

কেতিয়াবা মই নিজকে প্ৰশ্ন কৰোঁ
এটি মিছা হাঁহিৰে
পাৰিনে বাৰু লুকাই ৰাখিব
বুকুৰ সমস্ত বেথা?
বাধ্যত পৰি
হাঁহিবলগীয়া হোৱাৰ যন্ত্ৰণাত
শেঁতা পৰা ওঁঠযুৰি
দেখিয়েই জানো বুজি পোৱা নাযায়
মৌনতাৰ সিপাৰৰ প্ৰতিটো কথা
পোৱা নোপোৱাৰ হিচাপ ৰাখিবলৈ
কেতিয়াবাই এৰিলোঁ
এতিয়া দিনে ৰাতি মাথোঁ এটাই লক্ষ্য
কেনেকৈ তোৰ শেঁতা মুখখনিত
হাঁহি বিৰিঙাব পাৰোঁ।। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষাণ্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# তুমিয়েই মোৰ কল্পনাত

ছাইফুল হাছান

তুমিয়ে মোৰ কল্পনাত
ক'ত যে আল্পনা আঁকিলা
ক'ত দিন আৰু ৰাতি
নোৱাৰোঁ ধৰি ৰাখিবৰ
কিয় বাৰু তুমি
উৰি উৰি যোৱা
মোৰ ওচৰৰ পৰা।
আহাচোন আহা
হোৱাহি মোৰ লগৰী
তোমাৰ ৰূপৰ মোহন বনত
মহান গুণৰ সৰল স্পৰ্শত
স্বৰ্গৰ সোৱাদ পাওঁ
তুমিয়ে মোৰ কল্পনাত।। ❑❑

কবি ঃ  ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# অপেক্ষা

৩ প্ৰিয়া সাহা

আছোঁ তোমাৰ বাবেই বাট চাই
আহিবানে কেতিয়াবা তুমি
সূৰুযৰ সৌৰা কাঁচলিৰ মাজেৰে
বাট কুৰি বাই।
ভাষা নাই অনুভূতিও নাই
আছে মাথোন অপেক্ষা আৰু অপেক্ষা
অপেক্ষাৰ মাজতেই হাঁহো
আৰু মাজে মাজে চকুলো সৰে
ইয়াতেই পাওঁ সুখ দুখৰ সন্ধান
তথাপি এৰা নাই অপেক্ষা কৰিবলৈ
চকুত আশা লৈ আহিবা তুমি
মোৰ অপেক্ষাৰ অন্ত কৰিবলৈ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# ভালপোৱা কি

প্ৰিয়া সাহা

বসন্তৰ কুলিৰ মাত
এয়া জানো ভালপোৱা নহয়
ন ন কুঁহিপাতে আমাক
আশাৰ ৰেঙনি বিলায়
বৈ যোৱা নদীৰ ঢৌৱে
পুৰণি স্মৃতিবোৰ পাহৰাৰ ইংগিত দিয়ে।
পৰ্বতবোৰে আমাক
কঠিন পৰিস্থিতিৰ মাজতো
থিয় দিয়াৰ শক্তি দিয়ে।
দূৰণিৰ পখিজাকে
আমাক মুক্তভাৱে আকাশত
উৰিবলৈ শিক্ষা দিয়ে
প্ৰকৃতিৰ সৌন্দৰ্যই আমাক
সঁচা ভালপোৱাৰ উমান দিয়ে। ❑❑

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# তুমি

❍ খোদেজা খাতুন

তোমাক লৈ কি লিখিম
মূৰত হাত থৈ বহি থাকোঁ
মনৰ ভাৱ উলিয়াই
একো লিখিব নোৱাৰোঁ।
মানুহৰ মনত তুমি
দিব পাৰা আনন্দ দিব পাৰা কষ্ট
তোমাক লৈয়ে কাৰোবাৰ জীৱনৰ আৰম্ভণি
আকৌ কাৰোবাৰ জীৱনৰ শেষ সময়খিনি।
তোমাক লৈ লিখোঁ লিখোঁ বুলি
আজিও লিখিব নোৱাৰিলোঁ
আহিবানে তুমি মোৰ জীৱনৰ
আশাৰ ৰেঙনি হৈ
ভাল পাম তোমাক চিৰজীৱনৰ সংগী হৈ
অন্ধকাৰৰ পৰা মোক লৈ অহা পোহৰলৈ
দেখুৱাই দিয়া জীৱনৰ সঠিক পথ
গোটেই জীৱন তোমাৰ হৈ থাকিম
এয়াই শেষ ইচ্ছা মোৰ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# নয়ন

**খোদেজা খাতুন**

তুমি ভাল বেয়া সকলো বুজি পোৱা
তথাপি নুবুজা কিয় পৰিস্থিতি।
তোমাক চাই সকলো ক'ব পৰা যায়
তুমি যে কিমান মূল্যৱান
কোনেনো বুজি পায় তোমাৰ দাম।
বুজি পালে তোমাৰ চকুৰ পৰা
নিগৰি নিগৰি পৰা
এটোপাল এটোপাল পানীৰ মূল্য
তুমি পালাহেঁতেন।
তোমাকলৈয়ে দেখে নানা সপোন
কোনোবাই হাঁহে, কোনোবাই কান্দে
তোমাক লৈয়ে গোটেই পৃথিৱী।
তুমি সকলো পোৱা বুজি
কোনেনো তোমাক বুজে। ❑❑

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# প্ৰশ্ন

৩ নৱনীতা ৰায়

কি দেখিছা ?
দিশাহীন জীৱনকলৈ,
কি ভাবিছা ?
অনিশ্চিত ভৱিষ্যতকলৈ,
কি কৰিছা ?
লক্ষ্যহীন বাটত,
ক'লৈ ওলাইছা ?
জীৱন ইমান বিস্ময়
সেয়ে কেতিয়াবা প্ৰশ্ন উদয় হয় মনত
প্ৰশ্নবিলাকে যে আচৰিত কৰি তোলে
প্ৰশ্ন কৰি কি উত্তৰ পোৱা যায়।
উত্তৰ মিলিব নিৰুত্তৰ। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# চিন্তা

**নৱনীতা ৰায়**

চিন্তাবিলাক
প্ৰথমতে ৰাজপথত ওলায়
সহজপথত নোলায়
ওলায় বেঁকা পথত।
জলপথ, গলিপথ পাৰহৈ
দৌৰি যায়।
ঘূৰাই আনিব নোৱাৰি
আগৰ স্থানত।
নিতৌ ন ন পাচিত সি
ওলাই আহে
আমাৰ মনলৈ। ❑❑

কবি ঃ  ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# স্বাধীন নাৰী

৩ পূজা দাস

নাৰী যদি হয় জীৱনদায়িনী
কিয় হয় তেন্তে এই নাৰী
নির্যাতনৰ বলি
কেতিয়াবা যদি পুৰুষৰ
কেতিয়াবা আকৌ নিষ্ঠুৰ সমাজৰ!
কিয় নাই সমাজত নাৰীৰ আজিও মান!
নাই নাই
নাৰী মানেই পুৰুষৰ কামনা নহয়
নাৰী মানেই সমাজৰ তলতীয়া নহয়
নহয়, এতিয়া কোনো নাৰী পুৰুষৰ
পদ্‌ধূলি!
কাৰণ, নহয় মই তাহানিৰ শেৰালি
মই হ'ম এই শতিকাৰ স্বাধীন নাৰী। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# নিঃসংগতা

পূজা দাস

বহু হেঁপাহেৰে সাঁচি ৰাখিছিলোঁ,
এখন ফটফটীয়া দাপোণ
য'ত নাছিল এটাও বিম্ব
হঠাৎ এটা প্ৰতিবিম্ব জিলিকিল
কিন্তু, ক্ষন্তেকীয়া
ভাঙিলে মোৰ দাপোণ খন চূৰ্ণ-বিচূৰ্ণ কৰি
সেই প্ৰতিবিম্বই।
জ্ঞাত নে অজ্ঞাত ভাৱে
নাজানিলো ........
আজিও বিৰাজমান সেই শূন্যতা, সেই বিষাদ
মোৰ দাপোণখন,
এয়াই হয়তো নিঃসংগতা! ❑❑

---

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# সময়ৰ চিঞৰ

৩ আশৰাফুল আলম

সময়বোৰে সদায়ে চিঞৰি থাকে
সময়বোৰে কিয়নো চিঞৰে?
চাৰিওপিনে দুৰ্গন্ধময় পৰিৱেশ
হত্যা-লুণ্ঠন ব্যাভিচাৰ ধৰ্ষণ
ধৰ্মকলৈ খেলিছে ৰাজনীতি
সাম্প্ৰদায়িকতাৰ উদণ্ড কণ্ঠত
খহি পৰিছে মন্দিৰ-মছজিদৰ ইটা
শোষণৰ ভৰত থ্ৰথৰ্কৈ কঁপিছে পৃথিৱী।
সময়বোৰে সহ্য কৰিব পৰা নাই
সহ্য কৰিব পৰা নাই
নাৰীৰ ওপৰত চলা নিৰ্মম নিৰ্যাতন
সেয়ে সময়বোৰে সদায়েই চিঞৰে।
হে ঈশ্বৰ
সহিব নোৱাৰোঁ এই চিঞৰ
বন্ধ হ'বনে কেতিয়াবা
এই সময়ৰ চিঞৰ? ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# নাৰী

**আশৰাফুল আলম**

যুগে যুগে
বসন্তে বসন্তে
গছৰ ডালে ডালে
সাগৰৰ পাৰে পাৰে
জনতাৰ মুখে মুখে
তুমি চিৰ প্ৰৱাহিত
তুমি আদি তুমি অন্ত
তথাপিও
তুমি লাঞ্ছিতা তুমি বঞ্চিতা
এন্ধাৰত বিক্ৰী হয়
তোমাৰ কোমল কলিজা
মুক্ত বজাৰত নিলাম হয়
তোমাৰ অস্তিত্ব
বাঃ
তুমি সৃষ্টিৰ উৎস
ডাষ্টবিনত মুকুতাৰ লগত
কুকুৰৰ যুদ্ধ।
হে নাৰী তুমি ওলাই আহা
তেজাল ঝণ্ডালৈ
তোমাৰ উৰ্বৰা পথাৰ ৰক্ষা কৰিবলৈ। ❑❑

---

কবি ঃ  ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# আধুনিকতা

❍ সাহানাচ পাৰভীন

আধুনিক সভ্যতা বৰ্বৰতা
নগ্নতাৰ চুটি সাঁজটনা তিৰোতা
সাধুভাৱৰ ভণ্ডামি
অন্ধ উন্মাদনাত গাভৰুজাকৰ হাত
কেনে সপোন পুৰণৰ মায়াত ?
প্ৰেম যদি এনে দুৰ্বলতাৰে কলুষিত হয়
তেনে বিশ্বাসেৰে জানো
সৃষ্টিক জয় কৰা যায় ?
অনাহাৰ অশিক্ষা বিনা চিকিৎসাত
বিলাসী ঢোল বজোৱা বিজ্ঞানৰ সভ্যতাত
মৰিছে অলেখ শিশু পুষ্টিহীনতাত
গাখীৰৰ নৈ বৈছে পাহাৰৰ শৃংগত
ধৰ্মীয় ভাওনাৰে নেতা হোৱাৰ যুদ্ধ
মন্দিৰ-মছজিদবোৰত কেঁচা তেজৰ গোন্ধ।
যদিও আকাশত আধুনিকতাই নাচিছে
মানৱতাৰ জগতখন মৃত্যু শয্যাত চকুলো টুকিছে,
সাজিবনে মনবোৰ আধুনিকতাৰ মাজেৰে
অজ্ঞতা, নিষ্ঠুৰতা বিপৰীতে হবনে
মমতা, সহানুভূতি আৰু মানৱতাৰ জয় ? ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# দেউতা

সাহানাচ পাৰভীন

দেউতা হ'ল মোৰ
বিশাল পৃথিৱীখন
য'ত নিশ্চিন্ত ভাৱে সকলোৱে
মিলাপ্ৰীতিৰে বাস কৰে।
তেওঁ যেনিবা দূৰণিত থকা
বিশাল মহাসাগৰ
যাৰ মাজত জলজ প্ৰাণীবোৰ
মুক্তমনে জীয়াই থাকে।
তেওঁ হ'ল বাটৰ কাষত থকা
বিশাল এডাল গছ
যাৰ ছাঁত বহি ক্লান্ত বাটৰুৱাই
আনন্দ মনে জিৰণি লয়।
দেউতা ঠিক তেনেকুৱা
যেনেকুৱা বৰষুণৰ পানী
যিয়ে কোনোৱা এডাল মৰা গছ
জীয়াই তুলিব পাৰে।
দেউতা হ'ল এনেকুৱা এজন মানুহ
যিয়ে আকাশৰ পৰা
লক্ষ তৰাৰ মাজত
জিলিকি থকা এটা ধ্ৰুৱতৰা। ❑❑

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মানৱ জনম

★ হেমপ্ৰভা ৰয়

খন্তেকীয়া জীৱন মাটিৰ ভাণ্ড যেন
    নাথাকে চিৰদিন,
কালৰ হাতত এদিন জহি খহি যাব
    নৰ'ব একো চিন।
নিষ্ঠুৰ বায়ু মানুহৰ আয়ু
    নাই কোনো মায়া
প্ৰাণ বায়ু উৰি গ'লে আশা যাব অথলে
    পৰি ৰ'ব মানুহৰ কায়া।
মানৱী জনম নাযায় বিফলে
    সাৰ্থক হ'ব এদিন
মানুহৰ উপকাৰেই জীৱনৰ ব্ৰত
    যদি কৰোঁ জীৱনৰ পণ।
জন্মিলে মৃত্যু চিৰসত্য বাণী
    কোনে মিছা বুলি ক'ব
পৰম ঈশ্বৰৰ সত্য পথেৰে চলিলে
    মহৎ নামটো ৰ'ব। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় যান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মা

**হেমপ্ৰভা ৰয়**

দহ মাহ, দহ দিন
ধাৰণ কৰিলা গৰ্ভত
কিমান যে ধৈৰ্য তোমাৰ মা
সহ্য কৰিলা কত যে পীড়া
প্ৰণাম জনাওঁ তোমাৰ কষ্টক।
তুমিয়ে দেখুৱালা আই মোক
সৌন্দৰ্যৰে ভৰা এই পৃথিৱী,
তুমিয়ে জন্মালা বিশ্বাস আৰু দিলা পৰিচয় কৰাই
বহু ৰঙা পৃথিৱীৰ প্ৰতিটো বস্তুৰ।
তুমিয়েই দেখুৱালা
কাঁইটযুক্ত জীৱনৰ সঠিক পথ
ভুল কৰিলে দিছিলা গালি
কিন্তু পিছ মুহূৰ্তত ধৰিছিলা মৰমেৰে সাৱটি
মা লবা মোক আকৌ গালি
মোৰ ভুলৰ সংশোধন কৰি
দিবা তোমাৰ বুকুৰ মৰম
গালে মুখে সানি।
দিয়া আশীৰ্বাদ মা,
কৰিব পাৰো যাতে,
জীৱনযোৰা তোমাৰ সেৱা।
থাকিব পাৰোঁ যাতে গোটেই জীৱন
তোমাৰ মৰমৰ আঁচলৰ ছাঁৰ তলত বহি
গুচি যাব পাৰোঁ যাতে
তোমাৰ কোলাতে শুই ধুনীয়া ধৰণী।। ❑❑

---

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মোৰ জীৱন

⊃ উম্মে কুলছুম

মই হাঁহিবলৈ শিকিছোঁ
কান্দিবলৈ শিকা নাই
মাত্র পলকে-পলকে বৰষিছে
মোৰ জীৱনত সোণ।
মই এতিয়ালৈ জনা নাই
বেদনা কেনেকুৱা
হাঁহিৰে ভৰা জীৱনত
কেনেকৈ কৰে চিন্তাই ক্রিয়া।
পৃথিৱীখন অসাৰ বুলি শুনিছোঁ
মই মাত্র সুখকেই দেখা পাইছোঁ
মোৰ চকুৰ আগত
সুখৰ সাগৰে ঢৌ মেলি আছে।
মানুহে কয় খালী হৈ যায়
জীৱনৰ মধুৰ পিয়লা
কিন্তু মই পাওঁ মতলীয়া নিচা।
উৎসাহ, আনন্দ নিৰন্তৰ
মোৰ জীৱনত সদায় আছে,
আশাই পোহৰ ময় কৰে
স্বৰ্ণ সূতাই বান্ধি ৰাখে
মোৰ ফলতাৰ ধন।
সুখেৰে ভৰা সোণালী ডাৱৰে মোক
সদায় আৱৰি থাকে
বিশ্বাস, প্রেম, সাহস
হয় মোৰ জীৱনৰ লগৰীয়া। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় যান্মাসিক শ্রেণীৰ ছাত্রী।

# নিশা

**উম্মে কুলছুম**

পশ্চিমত বেলি অস্ত গ'লে,
দিনৰ পোহৰ বিদায় দি
ধৰালৈ আন্ধাৰ নামে
আকাশত জোনটিয়ে তৰাৰ লগত লুকা-ভাকু খেলে
জোনৰ পোহৰত সেউজীয়া ঘাঁহনিখনি
চিক্‌মিকাই থাকে।
সেমেকা বতাহজাকে ৰিব্‌ৰিব্ সুৰেৰে
কঁপি কঁপি বলে,
দূৰৰ পৰা ভাঁহি অহা ফেঁচাৰ মাতটোৱে
ৰাতিটো জয়াল কৰি তোলে।
বিছনাত শুই থকা কণমাণিটোৱে
ভয়লগা সপোন দেখি চিঞৰে,
নিৰ্জনতা ভাল পোৱা নিসংগ কবিয়ে
উজাগৰে নিশা পাৰ কৰে।
পুনৰ অহাৰ প্ৰতিশ্ৰুতিৰে ৰাতিটোৱে বিদায় মাগে,
পিছদিনা নতুন দিনৰ সূচনা কৰি
পূৰৰ আকাশত সূৰ্যই ভুমুকি মাৰে। ❑❑

---

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# এপাহি ৰঙা গোলাপ

⊃ জয়শ্ৰী বৰ্মন

এপাহি ৰঙা গোলাপ
ৰাখিছোঁ তোমাৰ বাবে অতি যত্ন সহকাৰে,
যিদিনা তুমি দিবা মোক লগ
গোলাপটো তোমাক দিম গোপনে,
আহিবানে তুমি?
তোমাৰ বাবে কৰিম অপেক্ষা
গোটেই দিন গোটেই ৰাতি
অপেক্ষা কৰি নপৰিম ভাগৰি।
যদি তুমি নাহা
এই গোলাপফুল শুকাই যাব
তোমাৰ বাবে
মোৰ ভালপোৱা মৰহি যাব
তথাপি তোমাৰ বাবে
মোৰ ভালপোৱা চিৰস্মৰণীয় হৈ ৰ'ব। ❑❑

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# মানৱ সভ্যতা

জয়শ্ৰী বৰ্মন

মানুহক, লৈয়েই গঢ়ি উঠে সভ্যতা
কিন্তু এই সভ্যতানো কি?
সমাজত হৈ আছে বহু দুৰ্নীতি।
কিয় আমি ইয়াৰ বিৰুদ্ধে
মাতিব নোৱাৰোঁ একোমাত
মানুহে মানুহক যিমানেই পাৰিছে
সিমানেই কৰিছে ঘাত-প্ৰতিঘাত
নাৰী হৈ পৰিছে অসহায়
কিয় আমি দিব নোৱাৰোঁ নিৰাপত্তা!
কি এই সভ্যতা? কিয় লাগে আমাক?
য'ত সমাজৰ
সকলোৱে ৰচিছে ইয়াৰ বিৰুদ্ধে মহামন্ত্ৰ।
মানুহ হৈ যদি আমি গঢ়িব নোৱাৰোঁ সভ্যতা
আমাৰ এই জীৱন হৈ পৰিব বৃথা। ❑❑

---

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰী।

# পুষ্পাঞ্জলি

☐ জয়ন্ত কুমাৰ বৰ্মন

তোমাৰ স্মৃতিৰ ঢৌৰেদি
উভতি যাবলৈ মন,
জোনাকৰে স্নিগ্ধ বিৰিণাৰ তলিত
সাজিছিলোঁ বকুলৰ পাহিৰে
বচা বচা ৰঙীণ সন্ধানী বাট।
মোৰ খোপাত গুজি দিয়া
ৰঙা ফুলথোপা
লাহে-লাহেকৈ সৰকি গ'ল
তোমাৰ দুচকুত জিলিকি উঠা
নিৰ্ভয়তাৰ দুৰ্গম বাটটো উজলি উঠিল।
নীলিম সাগৰত ডুবি
মণি মুকুতা তুলি আনি
নীৰৱে গঁথা হাৰডাল তোমাৰ চৰণত সপিলোঁ
বিৰিণাৰ পাতেৰে আলফুলকৈ সজা ৰঙা পঁজাত
জীৱন তুলসীৰ চাকিগছি জ্বলাই
কামিনীৰ থোপাৰে যাছোঁ
তোমাৰ প্ৰেমৰ পুষ্পাঞ্জলি। ❑❑

---

★ কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় যান্মাসিক শ্ৰেণীৰ ছাত্ৰ।

# মোৰ বিয়াৰ দিনা

**জয়ন্ত কুমাৰ বৰ্মন**

মোৰ বিয়াৰ দিনা
আয়তীয়ে হালধি চন্দনেৰে মোৰ হৃদয়ৰ
সিপাৰে থকা আপোনজনৰ সতে যুঁজিব।
ওৰণিৰে চিনাকী হ'ম মই।
মোৰ বিয়াৰ দিনা
দেউতাৰ উদংবুকুৰ মুখামুখি বেদনাই
শাঁত পেলাব আইৰ মোহাচ্ছন্ন শৰীৰ
আনৰ পৰিচয়ৰে চিনাকী হ'ম মই।
মোৰ বিয়াৰ দিনা
ক'ত থৈ যাম এই মঞ্চ?
ভ্ৰান্ত কাহিনৰ আঁৰত চাৰিখুটাৰে সাজিব ৰভাতলি,
তোমাৰ আগমনে উঠিব লক্ষ্য কান্দোনৰ ৰোল।
পলকতে হেৰাই যোৱা বাসনাই
চাটি-ফুটি জ্বলাব মোৰ আত্মা।
মোৰ বিয়াৰ দিনা ..........
অন্তৰত মোৰ আদৰ্শ গঢ়িলো
কলুষিত বাগিছাৰ অস্বাৰ্থক ফুলকে খোপাত গুজিলোঁ।
মোৰ বিয়াৰ দিনা ..........
সৰ্বনাশী উপহাৰেৰে কইনা সাজেৰে
চিৰসুন্দৰ ক্ষন্তেকীয়া ঘৰখনৰ পৰা মোক
প্ৰান্তদেশৰ লাঞ্ছিত মহলাত দলিয়াব। ❑❑

---

কবি ঃ ভোলানাথ মহাবিদ্যালয়, ধুবুৰীৰ স্নাতকোত্তৰ ২য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ।